# মামণি ৰয়চম গোস্বামীৰ নিৰ্বাচিত উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ ২০২৫ বৰ্ষৰ স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিকৰ MA-ASM-04-406(A) কাকতৰ বাবে দাখিল কৰা ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ


তত্ত্বাৱধায়কৰ

ড° শামলী দলৈ
বিভাগীয় প্ৰধান,
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়
নগাঁও, অসম

গৱেষিকা

মেঘালী বৰদলৈ
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়
ৰোলং নং- AS-16/23


২০২৩-২০২৫ বৰ্ষ

অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও
MAHAPURUSHA SRIMANTA SANKARADEVA VISWAVIDYALAYA
Recognized Under Section 2 (f) of UGC Act. 1956
Srimanta Sankaradeva Sangha Complex, Haladhar Bhuyan Path
Kalangpar, Nagaon, Pin-782001 (Assam), India

## তত্ত্বাৱধায়কৰ প্ৰমাণপত্ৰ

ইয়াৰ দ্বাৰা জনোৱা হয় যে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰী মেঘালী বৰদলৈয়ে আমাৰ তত্ত্বাৱধানত স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিকৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ MA-ASM-04-406(A) কাকতৰ অংশ হিচাপে “মামণি ৰয়চম গোস্বামীৰ নিৰ্বাচিত উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ” শীৰ্ষক গৱেষণা প্ৰকল্পটো সম্পন্ন কৰিছে। বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰি এই গৱেষণা কৰ্ম সম্পন্ন কৰা হৈছে। গৱেষণা কৰ্ম কৰি পোৱা সিদ্ধান্ত সমূহ তেওঁৰ নিজৰ আৰু এই প্ৰকল্পটোৰ কোনো অংশ আন কোনো বিশ্ববিদ্যালয় বা অনুষ্ঠানৰ ডিগ্ৰীৰ বাবে ব্যৱহাৰ কৰা হোৱা নাই।

তাৰিখঃ
স্থানঃ

ড° শ্যামলী দলৈ
বিভাগীয় প্ৰধান আৰু বিভাগীয়
প্ৰধান অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়,
নগাঁও

# ঘোষণা পত্ৰ

মই মেঘালী বৰদলৈয়ে জনাঁও যে স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিকৰ অসমীয়া বিভাগৰ অন্তৰ্গত MA-ASM-04-406(A) কাকতৰ বাবে “মামণি ৰয়চম গোস্বামীৰ নিৰ্বাচিত উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ” শীৰ্ষক গৱেষণা প্ৰকল্পটো ব্যক্তিগত প্ৰচেষ্টাত প্ৰস্তুত কৰা হৈছে।

ধন্যবাদেৰে-

মেঘালী বৰদলৈ

চতুৰ্থ ষাণ্মাসিক

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়,

নগাঁও

# কৃতজ্ঞতা স্বীকাৰ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় (নগাঁও চৌহদ)ৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ অন্তৰ্গত MA-ASM-04-406(A) কাকতৰ বাবে বিষয় হিচাপে মোৰ তত্ত্বাৱধায়ক বিভাগীয় প্ৰধান ড° শ্যামলী দলৈ বাইদেউয়ে এই প্ৰকল্প পত্ৰখনত সহায় আগবঢ়োৱাৰ লগতে “মামণি ৰয়চম গোস্বামীৰ নিৰ্বাচিত উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ” বিষয়টি নিৰ্বাচন কৰি দিয়াত সহায় কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই বিষয়টোৰ অধ্যয়নৰ বিভিন্ন দিশত নিৰ্দেশনা প্ৰদান কৰা ড° চাহিন জাফ্ৰি বাইদেউ, ড° চন্দ্ৰকমল চেতিয়া ছাৰ, ড° পাৰ্থপ্ৰতীম ফুকন ছাৰ, ড° শিখামণি শৰ্মা বাইদেউক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে বিভিন্ন ক্ষেত্ৰত সহায় কৰা বিভাগৰ অগ্ৰজ মানিকজ্যোতি গগৈ দাদ আৰু সহপাঠীসকললৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মেঘালী বৰদলৈ
চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়,
নগাঁও

# ভূমিকা

জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক, ঔপন্যাসিকা, গল্পকাৰ ড° মামণি ৰয়ছম গোস্বামীয়ে ভালে সংখ্যক উপন্যাস লিখি অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য অৰদান আগবঢ়াই যোৱাৰ লগতে তেওঁৰ উপন্যাসসমূহৰ মাজত ফুটি উঠা তাত্ত্বিক চিন্তা, বিভিন্ন সামাজিক ঘটনা, পটভূমি, প্ৰতীক, অন্যান্য চিত্ৰকল্প আৰু ৰসোতীৰ্ণতাই উপন্যাসসমূহক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। সাহিত্য জগতৰ প্ৰতি আগ্ৰহ আৰু ব্যক্তিত্বৰ প্ৰতি অনুপ্ৰাণিত হৈ মই অসমীয়া সাহিত্যৰ ক্ষুদ্ৰ প্ৰকল্প পত্ৰখনৰ বাবে "মামণি ৰয়ছম গোস্বামীৰ নিৰ্বাচিত উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ" শীৰ্ষক বিষয়টো নিৰ্বাচন কৰিছোঁ। বাস্তৱ জীৱনৰ নানান অভিজ্ঞতাৰ পৰাই সৃষ্টি হয় একোখন মনোগ্ৰাহী উপন্যাসৰ। অসমীয়া উপন্যাস সাহিত্যৰ বাস্তৱবাদী লেখিকা ড° মামণি ৰয়ছম গোস্বামীৰ সৃষ্টিৰ নিদান বহুৰঙী অভিজ্ঞতাৰে পৰিপূৰ্ণ। তেওঁৰ উপন্যাসসমূহ জীৱনৰ ক্ষন্তেকীয়া আনন্দ ৰসেৰে উদ্বেলিত, অসহনীয় নিৰ্যাতন, দুখ-যন্ত্ৰণাৰে আদিৰে উল্লিখিত। তেওঁৰ কেইবাখনো উপন্যাসত প্ৰকৃতি আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰসংগ ক'ৰবাত প্ৰত্যক্ষ আকৌ আন ক'ৰবাত পৰোক্ষভাৱে পৰিলক্ষিত হয়। মামণি ৰয়ছম গোস্বামী যেনেকৈ এগৰাকী সাহিত্যিক তেনেদৰে তেওঁৰ সহজ-সৰল ব্যক্তিত্ব সাহিত্যতো প্ৰতিফলিত হৈছে। তেখেতৰ নিখুঁত উপন্যাস তথা ৰচনাৰাজিত প্ৰকৃতি আৰু পাৰিপাৰ্শ্বিকতাই প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিশেষ ভূমিকা পালন কৰিছে।

# সূচীপত্ৰ


**অৱতৰণিকা**

০.১ বিষয়ৰ পৰিচয়

০.২ অধ্যয়নৰ উদ্দেশ্য

০.৩ অধ্যয়নৰ গুৰুত্ব

০.৪ অধ্যয়নৰ পদ্ধতি

০.৫ অধ্যয়নৰ পৰিসৰ

০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

**প্ৰথম অধ্যায়**

১.০ মামণি ৰয়ছম গোস্বামীৰ নিৰ্বাচিত উপন্যাসৰ পৰিচয়

১.১ নিৰ্বাচিত উপন্যাস কাহিনী

১.২ পটভূমি

**দ্বিতীয় অধ্যায়**

২.০ আধা লোখা দস্তাবেজ উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ

২.১ শিক্ষিত নাৰী

২.২ নাৰীৰ সামাজিক স্থিতি

**তৃতীয় অধ্যায়**

৩.০ নীলকণ্ঠী উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ

৩.১ বিধৱা নাৰী

৩.২ নাৰীৰ সামাজিক স্থিতি

**চতুৰ্থ অধ্যায়**

৪.০ দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ

৪.১ বিধৱা নাৰী

৪.২ নাৰীৰ সামাজিক স্থিতি

উপসহাৰ

সিদ্ধান্ত

গ্ৰন্থপঞ্জী

## ০.০ অৱতৰণিকা

### ০.১ বিষয়ৰ পৰিচয়-

অসমীয়া উপন্যাস জগতৰ এগৰাকী ব্যতিক্ৰমী লেখিকা হৈছে মামণি ৰয়ছম গোস্বামী। তেওঁৰ উপন্যাস সমূহ ভাৰত তথা বাহিৰৰ বিভিন্ন ঠাইৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। বাস্তৱ জীৱনৰ ভিত্তিত চাক্ষুষ অভিজ্ঞতা লাভ কৰা বহু ঘটনা তেওঁৰ উপন্যাসৰ মাজত প্ৰকাশ হৈছে। সেয়ে তেওঁৰ উপন্যাসে এক অনন্য মাত্ৰা কৰিছে। বিষয়বস্তুৰ মাজত সমাজৰ কু-সংস্কাৰৰ প্ৰতি বিৰোধ নাৰীৰ বিভিন্ন, যন্ত্ৰণা, দুখীয়া সমাজৰ সমস্যাৰ আদিৰ লগতে উপন্যাসৰ কখনশৈলীয়ে উপন্যাসবোৰক নতুনত্ব প্ৰদান কৰিছে।

অসমীয়া সাহিত্যৰ অন্যতম গুৰুত্বপূৰ্ণ শাখা হৈছে উপন্যাস। উপন্যাস এটি দীঘল গদ্য আখ্যান, য'ত জীৱনৰ কোনো এটা দিশ বা সমাজৰ সমস্যাবোৰ কাহিনীৰ জৰিয়তে উপস্থাপন কৰা হয়। অসমীয়াত উপন্যাস সাহিত্যৰ আৰম্ভণি ১৯শ শতিকাৰ শেষৰ পৰা দেখা যায়। অসমীয়া ভাষাৰ প্ৰথম উপন্যাস বুলি জনা যায় পদ্মনাথ গোহাঞিবৰুৱাৰ "ভানুমতী" (১৮৯০)। তাতপিছত লক্ষ্মীনাথ বেজবৰুৱাৰ "পদুম কুঁৱৰী" (১৯০৫) উপন্যাস সাহিত্যত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। এই শাখাত পিছত অনেক প্ৰতিভাধৰ সাহিত্যিকে কাম কৰিছিল, যাৰ ভিতৰত ইন্দিৰা গোস্বামী (মামণি ৰয়ছম গোস্বামী) বিশেষ ভূমিকা আছে।

বিংশ শতিকাৰ মহিলা উপন্যাসিক ড° মামণি ৰয়ছম গোস্বামীয়ে তেৰ বছৰ বয়সৰ পৰাই সাহিত্য চৰ্চা কৰিছিল আৰু পোণ প্ৰথমতে চুটিগল্পৰ প্ৰকাশ কৰিছিল। সত্তৰ দশকৰ পৰাহে তেওঁ এগৰাকী ঔপন্যাসিক হিচাপে স্বীকৃত হয়। তেওঁ অসম তথা ভাৰতবৰ্ষ আৰু বাহিৰৰ বিভিন্ন ঠাইৰ অভিজ্ঞতাৰে কেইবাখনো উপন্যাস ৰচনা কৰিছিল। তেওঁ ৰচনা কৰা উপন্যাস সমূহ হৈছে- 'চেনাবৰ সোঁত' (১৯৭২), 'নীলকণ্ঠী ব্ৰজ' (১৯৭৬), 'অহিৰণ' (১৯৮০), 'মামৰে ধৰা তৰোৱাল' (১৯৮০), 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' (১৯৮৮) 'দাশৰথীৰ খোজ' (১৯৯৯) ইত্যাদি। ইয়াৰোপৰি তেওঁ মালায়ালম উপন্যাস 'অৰনাষিকনেৰম' ১৯৭৮ চনত 'আধা ঘণ্টা সময়' নামেৰে অসমীয়ালৈ অনুবাদ কৰে।

তেওঁ সৰুৰে পৰাই সাহিত্য চৰ্চা কৰিছিল যদিও কেইজনমান ব্যক্তিয়ে তেওঁৰ সাহিত্য ৰচনাত প্ৰভাৱ পেলাইছিল। সেই সকলৰ ভিতৰত প্ৰধান আছিল তেওঁৰ জীৱনত অনুপ্ৰেৰণা যোগোৱা শিক্ষক, বন্ধু, পিতৃ-মাতৃ আৰু স্বামী। তেওঁ বাস্তৱ অভিজ্ঞতাৰে ৰচনা কৰা উপন্যাসবোৰৰ মাজত জীৱনীৰ একোখন জীৱন্ত ছবি প্ৰতিফলিত হয়। বাস্তৱজীৱনত সম্মুখীন হোৱা কিছুমান ঘটনা বা তেওঁ বিভিন্ন ঠাইত লগপোৱা ব্যক্তি সকলক উপন্যাসবোৰৰ চৰিত্ৰ হিচাপে তুলি ধৰিছে। তেওঁ উপন্যাসবোৰ ৰচনা কৰোতে বাস্তৱ জীৱনৰ কাহিনী, পটভূমি আৰু চৰিত্ৰৰ সম্পৰ্কে উপন্যাসৰ পাতনিত এই কথাৰ উল্লোখ কৰিছে। সেয়ে বাস্তৱ জীৱনৰ উপাদান বুলি ক'বলৈ গ'লে তেওঁ শৈশৱ অৱস্থাৰ পৰা আৰম্ভ কৰি সমাজ জীৱনত সন্মুখীন হোৱা বিভিন্ন পৰিস্থিতি, শৈক্ষিক জীৱন, কৰ্ম, সমগ্ৰ জীৱনৰ

দিশ তুলি ধৰা পৰিলক্ষিত হৈছে। তেওঁ ৰচনা কৰা উপন্যাসবোৰৰ কাহিনী, পটভূমি আৰু চৰিত্ৰবোৰ যে তেওঁ নিজেই দেখা আৰু লগপোৱা এই কথাও তেওঁৰ উপন্যাস এখনৰ পাতনিত উল্লেখ কৰিছে।

"১৯৭৯ চনত উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰত বন্ধা একুৱেডাক্টৰ শ্ৰমিকসকলৰ আন্দোলন এটাক কেন্দ্ৰ কৰি এই উপন্যাস ৰচনা কৰা হৈছে। দূৰদৰ্শিতা আৰু আত্মত্যাগৰ অভাৱত কেনেদৰে এই আন্দোলন ধূলিস্যাৎ হৈ গ'ল সেই কাহিনীকেই এই উপন্যাসৰ মাজত আঁকি দেখুওৱা হৈছে।"[১]

---

*১.মামণি ৰয়ছম গোস্বামী, মামৰে ধৰা তৰোৱাল, পাতনি*

**০.২ অধ্যয়নৰ উদ্দেশ্য:-**

"মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ" অধ্যয়নত শীৰ্ষক বিষয়ৰ কেইবাটাও উদ্দেশ্য আছে। সেই সমূহ হৈছে-

ক) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহৰ পৰিচয় আগবঢ়োৱা।

খ) নিৰ্বাচিত উপন্যাসত নাৰী চৰিত্ৰ সমূহৰ ভূমিকা নিৰ্ণয় কৰা।

গ) নিৰ্বাচিত উপন্যাসত নাৰী চৰিত্ৰ সমূহৰ আদৰ্শ, নাৰীৰ সামাজিক স্থান বিশ্লেষণ কৰা।

**০.৩ অধ্যয়নৰ গুৰুত্ব:-**

ক) নাৰী চৰিত্ৰ নিৰ্মাণত মামণি ৰয়ছম গোস্বামীৰ কৌশল বিচাৰ বিশ্লেষণ কৰা গুৰুত্ব আছে।

খ) নিৰ্বাচিত উপন্যাসত নাৰী চৰিত্ৰ সমূহৰ মাজেদি তদানীন্তন নাৰীৰ সামাজিক স্থিতি, আদৰ্শ আৰু নাৰী স্বৰূপ বিচাৰ কৰি চোৱাৰ গুৰুত্ব আছে।

গ) নিৰ্বাচিত উপন্যাস কেইখনৰ কাহিনীৰ বিষয়বস্তু বিকাশ আৰু বিষয়বস্তুৰ নিমাৰ্ণত নাৰী চৰিত্ৰ সমূহৰ বিচাৰ প্ৰয়োজনীয়তা আছে।

**০.৪ অধ্যয়নৰ পদ্ধতি :-**

গৱেষণা গ্ৰন্থখনত প্ৰধানতঃ বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতি ব্যৱহাৰ কৰা হ'ব।

০.৪.১ তথ্য আহৰণ উৎস:

মুখ্য উৎস-

ক) আধা লেখা দস্তাবেজ

খ) নীলকণ্ঠী ব্ৰজ

গ) দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা

গৌণ উৎস-

মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমূহৰ লগতে তেওঁৰ উপন্যাস সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ, গবেষণা গ্ৰন্থ আদিৰ সহায় লোৱা হ'ব।

**০.৫ অধ্যয়নৰ পৰিসৰ :-**

এই অধ্যয়নৰ পৰিসৰত মামণি বয়ছম গোস্বামীৰ পৰিচয়, উপন্যাসৰ এক সামগ্ৰিক আলোচনা লপতে তেওঁৰ নিৰ্বাচিত তিনিখন উপন্যাস ক্ৰমে- 'আধা লেখা দস্তাবেজ', 'নীলকণ্ঠী ব্ৰজ' আৰু 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' নামৰ উপন্যাসত প্ৰতিফলিত

নাৰী চৰিত্ৰ সমূহৰ এক সামগ্ৰিক আলোচনা আগবঢ়োৱা হ'ব।

**০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা:-**

ক/ সম্পাদিত গ্ৰন্থ:

ড° মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সাহিত্য কৃতিৰ বিষয়ে সমালোচনামূলক প্ৰবন্ধ প্ৰকাশ পাইছে। সেইবোৰৰ ভিতৰত-

১) প্ৰফুল্ল কটকীৰ "স্বৰাজোত্তৰ অসমীয়া উপন্যাসৰ সমীক্ষা" (প্ৰথম প্ৰকাশ (১৯৭৯)

২) ড° নগেন ঠাকুৰৰ সম্পাদিত এশ বছৰৰ অসমীয়া উপন্যাস ২০০২- শীৰ্ষক গ্ৰন্থত নমিতা ডেকাই "মামণি ৰয়ছম গোস্বামীৰ উপন্যাস" গ্ৰন্থখনত মামণি ৰয়ছম গোস্বামীৰ জীৱনৰ পৰিচয় দিয়াৰ লগতে আধা লেখা দস্তাবেজ আৰু হৃদয়ৰ তপস্বিনী গ্ৰন্থ দুখনৰ আলোচনা আগবঢ়োৱাইছে।

খ/ অসমীয়া গ্ৰন্থ:

১) মহেশ্বৰ নেওগৰ "অসমীয়া সাহিত্যৰ ৰূপৰেখা"

২) ড০ স্বাতী কিৰণে সাহিত্য সংস্কৃতি জিজ্ঞাসা (২০১১)

গ/ গৱেষণা গ্ৰন্থ:

১) শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা কলা শাখাত পি.এইচ ডি ডিগ্ৰীৰ বাবে প্ৰস্তুত কৰা "মামণি ৰয়ছম গোস্বামীৰ উপন্যাস ৰ নাৰী চৰিত্ৰ" (২০০৫)

২) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তুতুমণি বৰুৱাই এম. ফিল. ডিগ্ৰীৰ বাবে প্ৰস্তুত কৰা "মামণি ৰয়ছম গোস্বামীৰ সাহিত্যকৃতি এক অধ্যয়ন" (১৯৯৫-৯৬)

৩) অৰবিন্দ ৰাজখোৱাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পি.এইচ ডি ডিগ্ৰীৰ বাবে প্ৰস্তুত কৰ "উত্তৰ স্বাধীনতা কালৰ অসমীয়া উপন্যাস সাহিত্যলৈ মহিলা ঔপন্যাসিকৰ অৱদান" (২০১২)

ঘ/ আলোচনী/ বাতৰি কাকত:-

মামণি ৰয়ছম গোস্বামীৰ সাহিত্য কৰ্মৰ বিষয়ে আলোচনাবোৰতো সাময়িকভাৱে প্ৰকাশ পাইছে। তাৰ ভিতৰত -

১) অৰবিন্দ ৰাজখোৱা (৩০ নৱেম্বৰ ২০১১) চনত কদৰ্য জীৱনৰ মাজত মানৱতাৰ সন্ধান- "মামণি ৰয়ছম গোস্বামীৰ উপন্যাস"।

# প্রথম অধ্যায়

**১.০ মামণি ৰয়চম গোস্বামীৰ নিৰ্বাচিত উপন্যাসৰ পৰিচয়**

বিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত অসমীয়া সাহিত্য জগতলৈ গল্প, উপন্যাস, প্ৰবন্ধ আদিৰে অৱদান আগবঢ়োৱা মামণি ৰয়চম গোস্বামীৰ চৈধ্যখন উপন্যাসেৰে উপন্যাসৰ ক্ষেত্ৰখন আগবঢ়াইছে। ভিন্ন পটভূমিৰ ভিন্ন বিষয়বস্তুৰে তেওঁ প্ৰতিখন উপন্যাত সুকীয়া মাত্ৰা প্ৰদান কৰিছে। বৈচিত্ৰময় পটভূমি হোৱাৰ বিষয়বস্তু সত্তেও অধিকাংশ উপন্যাসতে নাৰীচৰিত্ৰই প্ৰাধান্য পাইছে আৰু নাৰীকেন্দ্ৰীক দৃষ্টিভংগী প্ৰতিফলিত হৈছে। নিৰ্বাচিত উপন্যাসমূহ ক্ৰমে-

১) আধা লেখা দস্তাবেজ

২) নীলকণ্ঠী ব্ৰজ

৩) দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা

ক) আধালেখা দস্তাবেজ-

'আধা লেখা দস্তাবেজ' হৈছে মামণি ৰয়চম গোস্বামীয়ে ৰচনা কৰা এখন আত্মজীৱনীমূলক উপন্যাস। **১৯৮৮** চনত এই উপন্যাসখনৰ প্ৰকাশ পাইছিল। **১৯৬৮** চনৰ জুন মাহৰ দুই তাৰিখে সাহিত্যিক হোমেন বৰগোহাঞিয়ে গোস্বামীলৈ দিয়া এখন প্ৰেৰণাদায়ক চিঠিয়ে মামণি ৰয়চম গোস্বামীৰ হৃদয় স্পৰ্শ কৰিছিল। আধা লেখা দস্তাবেজৰ পাতনিত লেখিকাই উল্লেখ কৰিছে তেওঁৰ চিঠিৰ দুটামান শাৰী এনে ধৰণৰ আছিল-

"......আপোনাৰ মন কি দুঃসহ বেদনাৰে ভাৰাক্ৰান্ত- সেই কথা আপুনি নক'লেও মই জানো। কিন্তু শিল্প-সৃষ্টিৰ দাবী ইমানেই নিষ্ঠুৰ যে সি কাৰো ব্যক্তিগত দুখ-বেদনাৰ কথা বিবেচনা নকৰে। সাধাৰণ নৰ-নাৰীৰ এই অতলান্ত দুখত নিমজ্জিত হৈ মৃতপ্ৰায় হৈ থাকিবলৈ সম্পূৰ্ণ অধিকাৰ আছে, কিন্তু আপোনাৰ এই অধিকাৰ নাই। কাৰণ আপুনি লিখিকা, জাত-শিল্পী। একমাত্ৰ সৃষ্টিৰ মাজতেই আপোনাৰ মুক্তি-দুখৰ পৰা, বিষাদৰ পৰা, আনকি ক্ষুদ্ৰ খণ্ড-মৃত্যুৰ পৰাও।........."[২]

সেই উপদেশতে তেওঁ নিজৰ জীৱন কাহিনীৰ বিষয়ে কিছু অংশ লিখিবলৈ আৰম্ভ কৰিছিল। **১৯৮৬** চনৰ 'অসম বাণীৰ' বিহু সংখ্যাত 'দস্তাবেজৰ এক অংশ' বুলি তেওঁৰ স্মৃতিৰ এটা কাহিনী প্ৰকাশ হয়। **১৯৭০** চনলৈকে তেওঁৰ জীৱনত ঘটি যোৱা কিছুমান ঘটনাৰ কাহিনীক লৈ আত্মজীৱনীখন ৰচনা কৰিছে। ইয়াত তেখেতে কোনো ধৰণৰ লুক-ঢাক নকৰাকৈ নিজৰ জীৱন পাঠকৰ আগত উপস্থাপন কৰিছে। সৰুতে সত্ৰৰ পৰিৱেশত ডাঙৰ দীঘল হোৱা কুলীন গোড়া বংশৰ ছোৱালী মামণি ৰয়ছমে সৰুকালৰ জীৱনৰ চিত্ৰ বৰ্ণনাৰ লগতে সত্ৰৰ ধাৰ্মিক সন্মুখীন হৈ কিদৰে তেওঁ হতাশাত ভাগি পৰিছিল তাৰ বৰ্ণনা দিছে। মামণি ৰয়ছম গোস্বামীয়ে ৰচনা কৰা উপন্যাস সমূহৰ মূল ধাৰা আছিল কঠোৰ বাস্তৱৰ ধাৰাত দলিত-নিস্পেষিত মানুহৰ বিশেষকৈ নাৰীৰ জীৱনৰ বঞ্চনাআৰু গ্লানি। এই

২. *মামণি ৰয়চম গোস্বামী, আধালেখা দস্তাবেজ, পাতনি*

আত্মজীৱনীখনটো ইয়াৰ চিত্ৰ প্ৰতিফলিত হৈছে।

খ) নীলকণ্ঠী ব্ৰজ-

ড° মামণি ৰয়চম গোস্বামীৰ আন এখন উপন্যাস হৈছে 'নীলকণ্ঠী ব্ৰজ'। ১৯৭৬ চনত প্ৰকাশিত হোৱা এই উপন্যাসখনৰ বাবে তেওঁ জ্ঞানপীঠ বঁটা লাভ কৰিছিল। 'নীলকণ্ঠী ব্ৰজ' হৈছে তেওঁৰ দ্বিতীয়খন উপন্যাস। আয়তনৰ ফালৰ পৰাও তুলনামূলকভাৱে ক্ষুদ্ৰ এই উপন্যাসখন কেইবাটাও দিশৰ পৰা বৈশিষ্ট্যপূৰ্ণ। ১৯৭৬ চনত বিধৱাৰ জীৱনক আধাৰ কৰি এই উপন্যাসখন ৰচনা কৰিছিল। এই উপন্যাসখনৰ বাবে কোনো বিশেষ সাহিত্যিক বঁটা লাভ কৰা নাছিল, যদিও এই উপন্যাসখনে তেওঁৰ সাহিত্যিক জীৱনত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। উপন্যাসখনত ব্ৰজধামৰ প্ৰাচীন ঐতিহ্য, ধৰ্মীয় আদৰ্শ, পূজা-পাৰ্বন, কলা কৃষ্টিৰ লগতে ব্ৰজধামৰ বিধৱা ৰাধেশ্যামী সকলৰ জীৱনৰ অপৰিসীম দুখ-যন্ত্ৰণা, ব্যথা-বেদনা, ব্ৰজধামৰ গোপন ব্যাধি স্বৰূপ পুৰুষৰ কামনা-বাসনা চৰিতাৰ্থ কৰা, দুৰ্নীতি, যৌন ব্যভিচাৰ ৰূপায়নৰ মাজেৰে উপন্যাসৰ কাহিনীটো গঢ় লৈ উঠিছে।

গ) দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা-

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' হৈছে ড° মামণি ৰয়চম গোস্বামীৰ এখন উল্লেখযোগ্য উপন্যাস। এই উপন্যাসৰ বাবে তেওঁ ১৯৮৮ চনত 'অসম সাহিত্য সভাৰ' বঁটা লাভ কৰিছিল। এই উপন্যাসখনৰ প্ৰেক্ষাপট হ'ল দক্ষিণ কামৰূপ আমৰঙা সত্ৰ আৰু সত্ৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠা সমাজখন। এই উপন্যাসখন কামৰূপীয়া ঠাঁচৰ অসমীয়া ভাষাৰে ৰচনা কৰিছিল। উপন্যাস খনত দ্বিতীয় মহাযুদ্ধৰ শেষৰ ফালৰ সময়ৰ পৰিৱেশেত আধুনিতাৰ প্ৰশেৰৰ ভাগি পৰিবলৈ আৰম্ভ কৰা সামাজিক গোড়ামীৰ এখন ছবি অংকন কৰিছে। এই উপন্যাসখন মামণি ৰয়চম গোস্বামীয়ে নিজেই ইংৰাজীলৈও অনুবাদ কৰিছে। উপন্যাসখনৰ পাতনিত তেখেতে লিখিছে—

"....লিখকে নিজে অনুবাদ নকৰি অন্য ব্যক্তিয়ে কৰিবলৈ কঠিন হ'লহেতেন। অসমীয়া ভাষাৰ কামৰূপী ঠাচ বুজি পোৱা মানুহ খুব কমেইহে ওলাব। তদুপৰি ভাষাটোৰ কিছুমান শব্দৰ প্ৰচলনো আজি কালি নাইকিয়া হ'ল।...."[৩]

ভাৰত স্বাধীন হোৱাৰ সময়তে লিখা এই উপন্যাসখনত সৰুতে কামৰূপৰ এখন বৈষ্ণৱী সত্ৰত থাকি ডাঙৰ-দীয়ল হোৱা উচ্চবংশৰ লেখিকাই নিজৰ সৰুকালৰ অভিজ্ঞতাৰ স্মৃতিৰ পৰা নতুন যুগৰ আৰম্ভণিত পুৰণি গোড়ামিৰ খহিবলৈ আৰম্ভ কৰা ভেটিটোৰ পৰিবেশত এগৰাকী উচ্চবংশৰ এগৰাকী নাৰী 'গোসানী' বাল্য বিধৱাৰ আৱেগ আৰু অৱদমনিত বাসনা,লাহে লাহে সোমাই অহা সাম্যবাদৰ প্ৰভাৱে আৰু ভূমিনীতিৰ সংসোধনে ভাঙিবলৈ আৰম্ভ কৰা জমিদাৰী প্ৰথাৰ ক্ষমতাৰ পুৰণি তন্ত্ৰ আদিৰ চিত্ৰ এখন অংকন কৰিছে।

*৩. মামণি ৰয়চম গোস্বামী, 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, পাতনি*

## ১.১ নিৰ্বাচিত উপন্যাসৰ কাহিনী

ক) আধা লেখা দস্তাবেজ-

ড° মামণি ৰয়ছম গোস্বামীয়ে শ্বিলঙত কটোৰা শৈশৱৰ পৰা দিল্লী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰা সময়ছোৱাৰ কথা এই উপন্যাসখনত তুলি ধৰিছে। ১৯৫৫ চনত শিক্ষাধিকাৰ পিতৃ উমাকান্ত গোস্বামী চাকৰিসূত্ৰে শ্বিলঙত কটোৱা সময়ত লেখিকাৰ জীৱন ইমানেই সৰল আছিল যে পৰিয়ালটোত জন্মদিন পালনৰ পৰম্পৰা নাছিল বাবে লেখিকাই নিজৰ জন্মৰ তাৰিখ সম্বন্ধে একো নাজানিছিল। যৌৱনৰ প্ৰথম অৱস্থাতে হতাশা আৰু দুখবোধৰ এক ব্যতিক্ৰমী ভাৱনাই মামণি ৰয়চম গোস্বামীক আৱৰি থকা মনৰ অৱস্থাৰ কথা প্ৰকাশ কৰিছে। এনে মানসিক অৱস্থাতে এটা পৰীক্ষাৰ ফলাফলে হতাশ কৰি তোলাৰ বাবে লেখিকাই আত্মহত্যাৰ প্ৰচেষ্টা চলাই সকলোৰে মাজত চৰ্চাৰ বিষয় হৈ পৰিছিল। দেউতাকৰ মৃত্যুৰ পাছত মাতৃয়ে লেখিকাৰ মঙ্গলৰ বাবে জ্যোতিষীৰ ওচৰত শৰণাপন্ন হৈছিল। মাতৃৰ সন্তুষ্টিৰ বাবে তেওঁৰ নিৰ্দেশত সকলোবোৰ কৰিছিল। কিন্তু সেই সময়ছোৱাত সাহিত্য চৰ্চাহে তেওঁৰ প্ৰকৃত আশ্ৰয় আছিল। এই ঘটনা তিনি বছৰৰ পাছত ভিন্ন ঘটনা-পৰিঘটনাৰ মাজেদি লেখিকা ১৯৬৫ চনত মাধৱেন আয়েঙ্গাৰৰ সৈতে জগলীয়াৰ পাৰৰ সত্ৰত বিবাহ পাশত আৱদ্ধ হয়। পৰৱৰ্তী সময়ত স্বামীৰ কৰ্মসূত্ৰে ভিন্ন ঠাইত যাব লগা হোৱাত লেখিকাই লাভ কৰা অভিজ্ঞতাই তেওঁৰ সাহিত্যিক জীৱন সমৃদ্ধ কৰিছিল। কিন্তু বিবাহৰ ১৮ মাহৰ পাছতে ১৯৬৭ চনৰ ১৫ এপ্ৰিলৰ পুৱতি নিশা এক পথ দুৰ্ঘটনাত মাধৱেনৰ অকাল মৃত্যু হয়। এই ঘটনাই মামণি ৰয়ছমৰ জীৱন আৰু সাহিত্যত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। দুৰ্ঘটনাত স্বামীৰ মৃত্যু হোৱাৰ পাছত জীৱন পুনৰ দুখ আৰু যন্ত্ৰণাৰে ভৰি পৰে।

স্বামীৰ মৃত্যুৰ পাছত হঠাতে জীৱনলৈ অহা পৰিৱৰ্তন গ্ৰহণ কৰিবলৈ তেওঁৰ শৰীৰ আৰু মনৰ লগত কি দৰে যুজঁ দিছিল সেই কথা তেওঁ ইয়াত খনত উল্লেখ কৰিছে। গোৱালপাৰাৰ সৈনিক স্কুলত শিক্ষকতা কৰা কালত নিৰাশাৰে ভৰা জীৱনক নতুন প্ৰত্যয় দিবলৈ এজন শিখ অধ্যাপকে প্ৰস্তাৱ আগবঢ়াইছিল। এজন পিতাকৰ পুৰণা ডায়েৰী আৰু ছেমিংৱেৰ কিতাপবোৰে তেওঁৰ আশ্ৰয় আছিল আৰু নোটবুকট অভিজ্ঞতাবোৰ লিপিবদ্ধ কৰিছিল। এদিন অধ্যাপক লেখাৰুৰ নিমন্ত্ৰণত বৃন্দাবনলৈ গৱেষণা কৰিবলৈ যোৱা আৰু তাত গৈ তেওঁলোকৰ সংস্পৰ্শত থকা কথা, বৃন্দাবনত লাভ কৰা অভিজ্ঞতা আদিবোৰ আত্মজীৱনীখনত প্ৰকাশ পাইছে। তদুপৰি বিভিন্ন বিশিষ্ট ব্যক্তিৰ সান্নিধ্য আৰু লেখিকাৰ ১৯৭০ চনলৈকেহে জীৱন কাহিনীৰ উল্লেখ কৰিলেও তাৰ পৰৱৰ্তী দুই এটা ঘটনায়ো ঠাই পাইছে। এই বৃন্দাবনত থকাৰ সময়তে তেওঁ লিখি উলিয়াইছিল 'নীলকণ্ঠী ব্ৰজ' নামৰ উপন্যাসখন। উপন্যাসখনত তেওঁৰ নিজৰ জীৱনৰ প্ৰথম অৱস্থাৰ যন্ত্ৰণা বুলি উল্লেখ কৰিছে।

খ) নীলকণ্ঠী ব্ৰজ-

ড° মামণি ৰয়চম গোস্বামীৰ দ্বিতীয়খন উপন্যাস 'নীলকণ্ঠী ব্ৰজ' স্বামী মাধৱেনৰ মৃত্যুৰ পাছত মামণি ৰয়ছম গোস্বামীয়ে ১৯৬৯ চনত ৰামায়ণ সাহিত্যৰ ওপৰত গৱেষণা কৰিবৰ বাবে বৃন্দাবনলৈ যাওঁতে তেওঁ নিজ চকুৰে দেখি লাভ কৰা বৃন্দাবনৰ তথ্যৰ ভিত্তিত এই উপন্যাসখন ৰচনা কৰে। মামণি ৰয়ছম গোস্বামীৰ বাস্তৱ জীৱনৰ অভিজ্ঞতা এই উপন্যাসখনত প্ৰকাশ কৰিছে। তেওঁ ৰামায়ণী সাহিত্যৰ ওপৰত গৱেষণা কৰ্মৰ বাবে হিন্দু সকলৰ পবিত্ৰ ধৰ্মস্থান বৃন্দাবনলৈ গৈছিল। তেওঁ তাত প্ৰত্যক্ষ কৰা সন্যাসিনীৰ জীৱনৰ পটভূমিত উপন্যাসখনৰ কাহিনীত ৰচনা কৰিছে। উপন্যাসখনৰ কাহিনীৰ বাবে বিভিন্ন চৰিত্ৰৰ অৱলম্বন কৰিছে। প্ৰকৃততে ব্ৰজধামত ধৰ্মৰ বিপৰীতে যি বিষ চলি আছে সেই বিষপান কৰি নীলকণ্ঠী হোৱাৰ ছবি এখন উপন্যাসখনৰ কাহিনীৰ মাজেৰে প্ৰতিফলিত কৰিছে। বৃন্দাবনত গৈ তেখেতে বৈধব্যৰ 'পাপ' মূৰ পাতি লোৱা বিধৱাসকলৰ গ্লানিপূৰ্ণ জীৱন প্ৰণালী ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছে। লাহে লাহে মামণি ৰয়ছম গোস্বামীৰ মনৰ আঘাত কমিবলৈ আৰম্ভ কৰিলে। তেওঁৰ মন ৰামায়ণ গৱেষণাৰ প্ৰতি আকৃষ্ট হয় আৰু বৃন্দাবন এৰি ৰামায়ণৰ বিষয়ে গৱেষণা কৰিবলৈ গুচি যায়। এই সকলোবোৰৰ বিষয়ে তেওঁৰ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনত সুন্দৰকৈ উল্লেখ কৰিছে।

উপন্যাসখনৰ মুল নাৰী চৰিত্ৰ হৈছে সৌদামিনী নামৰ এগৰাকী কম বয়সীয়া উচ্চবংশীয় বিধৱা। উচ্চ হিন্দু পৰিয়ালৰ বিধৱাৰ গন্তব্যস্থল বৃন্দাবনত তেওঁলোকে সন্যাসিনীৰ জীৱন নিৰ্বাহ কৰে, শৰীৰ আৰু মনৰ পৰিশুদ্ধিৰ কাৰণে। সৌদামিনীয়ে এজন খ্ৰীষ্টান যুৱকক ভাল পাইছিল। কিন্তু হিন্দু সমাজৰ ধৰ্মীয় গোড়ামীৰ বাবেই তেওঁক নিজৰ কৰি ল'ব পৰা নাই। সৌদামিনীয়ে বিধৱাৰ ব্ৰতচাৰিণী জীৱন-যাপন কৰাটোৱেই তাইৰ ৰক্ষণশীল পিতৃ-মাতৃৰ কামনা। তেওঁলোকৰ ধাৰণা হৈছিল কিছুদিন ব্ৰজত বাস কৰাৰ পাছত সৌদামিনীৰ মনলৈ পৰিৱৰ্তন আহিব আৰু বাস্তৱৰ সৈতে মুখামুখি হ'ব পাৰিব। সেয়েহে সৌদামিনীৰ জাত-ধৰ্মৰ কথা দোহাই দি হিন্দু ধৰ্মৰ পবিত্ৰ তীৰ্থধাম ব্ৰজধামলৈ নিছিল। কিন্তু এই পবিত্ৰ ধামত ধৰ্মৰ নামত চলা অৰ্ধমৰ বেহা, বিধৱা ৰাধেশ্যামী সকলৰ ওপৰত চলা অত্যাচাৰবোৰ দেখি সৌদামিনীৰ মন আধ্যাত্মিকৰ প্ৰতি ধাবিত নহ'ল। তাই শান্তি বিচাৰি আহি ব্ৰজধামত আশান্তিহে পাইছিল।

গ) দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা-

এই উপন্যাসখন মামণি ৰয়ছম গোস্বামীৰ এখন উল্লেখযোগ্য আঞ্চলিক উপন্যাস। উপন্যাসখনৰ কাহিনী দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰৰ আধাৰিত। ইয়াত সত্ৰৰ অধিকাৰী গোসাঁই ঘৰখন আৰু সেই ঘৰখনক কেন্দ্ৰ কৰি গঢ় লৈ উঠা সমাজখনৰ ছবি প্ৰতিফলিত কৰিছে। উপন্যাসখনত এটা সম্ভ্ৰান্ত পৰিয়ালৰ কথা উল্লেখ কৰিছে। য'ত তিনি গৰাকী বিধৱা নাৰীৰ মানসিক দ্বন্দ্ব, অকাল বৈধব্যই একোগৰাকী নাৰীৰ জীৱন কিদৰে বিধ্বস্ত কৰে, সেই

সকলোবোৰ দেখুওৱা হৈছে। উপন্যাসখনৰ মূল নাৰী চৰিত্ৰ হ'ল দুৰ্গা নামৰ এগৰাকী বাল্য বিধৱা। এই উপন্যাসখন অসমীয়া ভাষাত লিখা হৈছে, যিয়ে কামৰূপীয়া ঠাচৰ দ্বিতীয় মহাযুদ্ধৰ শেষৰ সময়ৰ পৰিৱেশত আধুনিকতাৰ প্ৰৱেশে সমাজখনক কিদৰে ভাঙি পেলাইছে, সেইসমূহ দেখুওৱাইছে। উপন্যাসখনত মানুহৰ মানসিক যন্ত্ৰণা, সমাজৰ অন্ধকাৰ, আৰু বাল্য বিধৱাৰ যাতনাৰ কথা স্পষ্টকৈ বৰ্ণনা কৰিছে। উপন্যাসখনৰ কাহিনীৰ সময়ছোৱা হ'ল কুৰি শতিকাৰ মধ্যভাগ। সমাজ উৰ্ধ্বলৈ চেষ্টা কৰা গিৰিবালা নামৰ বিধৱাগৰাকীৰ পদে পদে সন্মুখীন হোৱা পৰিস্থিতিৰ কথা ঔপন্যাসিকে প্ৰকাশ কৰিছে। সমাজক প্ৰত্যাহ্বান জনাই গিৰিবালাই অৱশেষত আত্মহত্যা কৰে। উপন্যাসখনৰ মূল চৰিত্ৰ দুৰ্গা নামৰ বাল্য বিধবা গৰাকীয়ে ভোগ কৰা যাতনাৰ প্ৰসংগত তেখেতে সেই সময়ৰ উচ্চবংশীয় বিধৱাৰ হতাশাৰ কথা বৰ্ণনা কৰি কৰিছে।

উপন্যাসখনৰ আৰম্ভণিতে ঔপন্যাসিকাই উল্লেখ কৰিছে ১৯৪৭ খ্ৰীষ্টাব্দৰ কথা। ইয়াৰ পৰাই অনুমান কৰিব পাৰি ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পৰা আৰম্ভ কৰি ১৯৮১ চনলৈকে অৰ্থাৎ প্ৰায় ১৪ টা বছৰ অবিভক্ত কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত আমৰঙা দামোদৰীয়া  সত্ৰৰ বিভিন্ন ঘটনা-উপঘটনাক লৈ উপন্যাসখনৰ কাহিনী নিৰ্মাণ কৰা হৈছে। লগতে এখন ৰক্ষণশীল সমাজৰ পতন হোৱা, আদবয়সতে বিধৱা হ'বলগীয়া হোৱা সত্ৰৰ গোপীনিসকলৰ জীৱনৰ কৰুণগাঁথা, নিঃসংগতা, পৰম্পৰাগত ৰীতি-নীতি, উচ্চ গোসাঁই পৰিয়ালৰ মৰ্যাদা, বংশৰ গৌৰৱবোধ, কামনা-বাসনা, কানি নিৰ্বাৰণ আন্দোলন, ভূমি সংস্কাৰ আৰু সাম্যবাদী আন্দোলনৰ ভাৱধাৰা আগমনে সামন্তবাদী সমাজ এখনলৈ অনা পৰিৱৰ্তনৰ কাহিনী উপন্যাসখনত বৰ্ণিত হৈছে। এই উপন্যাসৰ কাহিনী আগবঢ়াই নিবলৈ ঔপন্যাসিকাই বিবিধ সংঘাত, ঘটনা-উপযোগী বিবিধ পৰিস্থিতি আৰু পুৰুষ-স্ত্ৰী ভালেমান চৰিত্ৰ, যিবোৰ তেওঁৰ অধিকাংশই শৈশৱৰ স্মৃতিৰ পৰা ওলিয়াই আনি জীৱন্ত ৰূপ দিছে।

## ১.২ পটভূমি

যিকোনো এটা সাহিত্যৰ পাঠৰ আধাৰত মূল ভেঁটি পটভূমিত সংঘটিত হোৱা বিভিন্ন ঘটনাৰ আলম লৈ একোটা কাহিনীৰ সৃষ্টি হয়। গতিকে কেতিয়াবা এখন উপন্যাসৰ বিষয়বস্তুত অন্তঃনিহিত দৃষ্টিভংগী বিকশিত কৰাৰ ক্ষেত্ৰত পটভূমিৰ ভূমিকা গুৰুত্বপূৰ্ণ। সেয়েহে উপন্যাস এখনৰ পটভূমি বিচাৰ কৰা প্ৰয়োজনীয়। নিৰ্বাচিত তিনিখন উপন্যাসৰ পটভূমি তলত উল্লেখ কৰা হৈছে-

ক) 'আধা লেখা দস্তাবেজ'- ড° মামণি ৰয়ছম গোস্বামীৰ এই উপন্যাসখন অসমৰ সমাজ, সংস্কৃতি আৰু বিশেষকৈ নাৰী জীৱনৰ কঠোৰ বাস্তৱতাৰ ওপৰত আধাৰিত। উপন্যাসখনৰ মূল পটভূমি হৈছে অসমৰ গ্ৰাম্য আৰু নগৰীয়া সমাজ। সমাজখনত থকা ৰন্ধনশালা-সীমাবদ্ধ মহিলাৰ জীৱন, গৃহবন্দীতা, স্বামীত্বৰ আধিপত্য আৰু বেদনা-সেইবোৰৰ

প্ৰতিচ্ছবি এই কাহিনীত প্ৰকাশ পাইছে। উপন্যাসখনত সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ জীৱন যাপন, দৃষ্টিভংগী আৰু আচৰণৰ গভীৰ বিশ্লেষণ পোৱা যায়। এই কাহিনীৰ পৰিপ্ৰেক্ষিতত অসম তথা ভাৰতবৰ্ষৰ সামাজিক পৰিৱৰ্তন, ধৰ্মীয় গোড়ামি, লিংগ বৈষম্য আদি সমস্যাবোৰ উল্লেখযোগ্য। উপন্যাসখনত মহিলাসকলৰ ওপৰত হোৱা সামাজিক অত্যাচাৰৰ বিৰুদ্ধে এক মৌন প্ৰতিবাদ প্ৰকাশ পাইছে। এই উপন্যাস মূলতঃ এটা অন্তৰ্দৃষ্টি সম্পন্ন নাৰীৰ আত্ম-জীৱনীমূলক স্বীকাৰোক্তি, যিয়ে নিজৰ জীৱনৰ অভিজ্ঞতা, দুখ-কষ্ট, ভালপোৱা, আৰু অপূৰ্ণতাৰ অনুভূতিসমূহ 'আধা লেখা' ৰূপে উপস্থাপন কৰিছে। মূল নাৰী চৰিত্ৰটিৰ জীৱনৰ জটিলতা, সমাজৰ নিয়ম-নীতিৰ সৈতে সংঘৰ্ষ, আৰু নিজৰ স্থান বিচাৰি কৰা সংগ্ৰাম এইবোৰেই হৈছে উপন্যাস খনৰ পটভূমি। 'আধা লেখা দস্তাবেজ' নামটোৱেই এই উপন্যাসৰ কাহিনীৰ পটভূমি বুজাবলৈ চেষ্ঠা কৰিছে।

খ) 'নীলকণ্ঠী ব্ৰজ'- উপন্যাসখনৰ মূল পটভূমি হৈছে হিন্দু ধৰ্মৰ পবিত্ৰ স্থান বৃন্দাবন। ১৯৭৬ চনত বিধৱাৰ জীৱনৰ আধাৰত এই উপন্যাসখন ৰচনা কৰিছিল। স্বামীৰ মৃত্যুৱে তেওঁৰ সুখৰ সপোন ভাঙি চুৰমাৰ কৰি দিছিল যদিও তেওঁৰ শুভাকাংক্ষী সকলৰ অনুপ্ৰেৰণাত মনক দৃঢ় কৰি গোৱালপাৰা সৈনিক স্কুলত শিক্ষয়িত্ৰী হিচাপে যোগদান কৰিছিল আৰু নৈৰাশ্যৰ পৰা বহু পৰিমাণে মুক্তি লাভ কৰিছিল। মামণি ৰয়ছম গোস্বামীয়ে দেউতাকৰ বন্ধু প্ৰফেছৰ উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ তত্ত্বাৱধানত বৃন্দাবনৰ 'ইনষ্টিটিউট অৱ অৰিয়েণ্টেল ফিলছ'ফীত ৰামায়ণৰ ওপৰত গৱেষণা কৰিবলৈ সুবিধা পাইছিল। বৃন্দাবনত তেওঁ ৰামায়ণী সাহিত্যৰ গৱেষণা কৰিছিল আৰু আনফালে ৰাধেশ্যামী সকলৰ দুখেৰে ভৰা জীৱন নিজ চকুৰে প্ৰত্যক্ষ কৰিছিল। এক কথাত ক'বলৈ গ'লে উপন্যাসখনত আৰ্থিকভাৱে বঞ্চিত, নিষ্ঠুৰতাৰ স্বৈৰাচাৰী শাসন, মহিলাৰ কামনা-বাসনা দমাই ৰখা, সিহঁতৰ তেজ মঙহৰ শৰীৰটোক নেদেখাজনৰ ওচৰত অৰ্পন কৰা, নিজৰ শেষকৃত্যৰ বাবে টকা সঞ্চয় কৰা ৰাধেশ্যামীসকলৰ জীৱনৰ দুখৰ কাহিনীবোৰৰ বাস্তৱ প্ৰতিফলন ঘটিছে।

গ) 'দতাঁল হাতাৰ উঁয়ে খোৱা হাওদা'- উপন্যাসখনৰ কাহিনীৰ পটভূমি হৈছে দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰ। অবিভক্ত কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত আমৰঙা দামোদৰীয়া সত্ৰৰ বিভিন্ন ঘটনা-উপঘটনাক লৈ উপন্যাসখনৰ পটভূমি নিৰ্মাণ হৈছে। লগতে এখন ৰক্ষণশীল সমাজৰ পতন হোৱা, কম বয়সতে বিধৱা হ'বলগীয়া হোৱা সত্ৰৰ গোসাণীসকলৰ বেদনা, নি:সংগতা, পৰম্পৰাগত ৰীতি-নীতি, উচ্চ গোসাঁই পৰিয়ালৰ মৰ্যাদা, ভূমি সংস্কাৰ আৰু সাম্যবাদী আন্দোলনৰ ভাৱধাৰা আগমনে সামন্তবাদী সমাজলৈ অনা পৰিৱৰ্তন কাহিনী উপন্যাসখনত উল্লেখ কৰিছে। উপন্যাসখনৰ পটভূমি যিহেতু দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰ সেয়েহে অসমৰ জীয়া মাটিৰ পৰশত উদ্দীপ্ত প্ৰাণময় শৈশৱ কালৰ প্ৰাণ প্ৰাচুৰ্যভৰা কাহিনী আৰু পৰিৱেশ সৃষ্টিৰ আত্মীয়তাৰ পৰশ হ'ল উপন্যাসখন। তেওঁ জীৱনৰ এছোৱা সময় দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰত অতিবাহিত কৰিছিল আৰু যি

অভিজ্ঞতা লাভ কৰিছিল তাৰ আধাৰতে উপন্যাসখনৰ কাহিনীৰ পটভূমি ৰচিত। উপন্যাসখনত তেওঁ গোসাঁই ব্ৰাহ্মণ নাৰীৰ যি দুৰ্গতিৰ চিত্ৰ দাঙি ধৰিছে সেয়া তেওঁ ব্যক্তিগত জীৱনত প্ৰত্যক্ষ কৰিছে। এনেদৰে বিচাৰ কৰিলে দেখা যায় যে ঔপন্যাসিকাই তেওঁৰ বাস্তৱ অভিজ্ঞতাৰ ভিতৰত উপন্যাসখনৰ পটভূমি আৰু পৰিস্থিতি অংকন কৰিছে। লেখিকাৰ শৈশৱ কালৰ মধুময় স্মৃতিৰ আধাৰত ৰচিত দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰত অৱনমিত হোৱা সামাজিক অৱস্থানৰ কৰুণ পৰিণতি এটাৰে উপন্যাসখনৰ সামৰণি হৈছে।

# দ্বিতীয় অধ্যায়

## ২.০ আধা লেখা দস্তাবেজ উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ-

'আধা লেখা দস্তাবেজ' মামণি ৰয়চম গোস্বামীৰ এখন আত্মজীৱনীমূলক উপন্যাস। লেখিকাই জীৱনত লগপোৱা বিভিন্ন ধৰণৰ লোকসকলৰ আলমত এই উপন্যাস খনৰ চৰিত্ৰসমূহ উল্লেখ কৰিছে। ইয়াত মূল চৰিত্ৰ হৈছে লেখিকা নিজেই। লেখিকাৰ জীৱন যাত্ৰা প্ৰতিফলিত হোৱা এই আত্মজীৱনীমূলক উপন্যাসখনত ঔপন্যাসিকাই নিজকে মূখ্য চৰিত্ৰ ৰূপে উপস্থাপন কৰিছে। নিজৰ শিক্ষা জীৱনৰ পৰা আৰম্ভ কৰি বিবাহিতা জীৱন যূদ্ধৰ চিত্ৰৰ উপন্যাসখনত দাঙি ধৰিছে। মামণি ৰয়ছম গোস্বামীয়ে শ্বিলঙত কটোৱা শৈশৱৰ পৰা দিল্লী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰা সময়ছোৱাও এই উপন্যাসখনত তুলি ধৰিছে। **১৯৫৫** চনত শিক্ষাধিকাৰ পিতৃ উমাকান্ত গোস্বামী চাকৰিসূত্ৰে শ্বিলঙত কটোৱা সময়ত লেখিকাৰ জীৱন ইমানেই সৰল আছিল যে পৰিয়ালটোত জন্মদিন পালনৰ পৰম্পৰা নাছিল বাবে লেখিকাই নিজৰ জন্মৰ তাৰিখ সম্বন্ধে একো নাজানিছিল। যৌৱনৰ প্ৰথম অৱস্থাতে হতাশা আৰু দুখবোধৰ এক ব্যতিক্ৰমী ভাৱনাই মামণি ৰয়চম গোস্বামীক আৱৰি থকা মনৰ অৱস্থাৰ কথা প্ৰকাশ কৰিছে। পিতাক জীয়াই থাকোঁতে তাইৰ বাবে দুই-এটা বৰ ভাল সম্বন্ধ আহিছিল। কিন্তু পিতাকৰ মৃত্যুৰ পাছত এনে ধৰণৰ সম্বন্ধৰ প্ৰস্তাৱ আৰু নহা হ'ল। মাকে নিজৰ পচন্দমতে কেবা ঠাইটো বিয়াৰ বন্দৱস্ত কৰিবলৈ গৈ বিফল আৰু হতাশ হ'ল। শৈশৱৰ সেই দুখ আৰু হতাশাবোৰে যেন মামণি ৰয়চম গোস্বামীৰ লগত ছাঁৰ দৰেই ঘূৰি ফুৰিছিল। এনে মানসিক অৱস্থাতে এটা পৰীক্ষাৰ ফলাফলে হতাশ কৰি তোলাৰ বাবে লেখিকাই আত্মহত্যাৰ প্ৰচেষ্টা চলাই সকলোৰে মাজত চৰ্চাৰ বিষয় হৈ পৰিছিল।

**১৯৬২** চনৰ বহাগ মাহত লেখিকা মহীশূৰৰ ইঞ্জিনিয়াৰ মাধবেন ৰয়চম আয়েঙ্গাৰক লগ পাই। তেওঁ হিন্দুস্তান কনষ্ট্ৰাকশ্বন কোম্পানীৰ ইঞ্জিনিয়াৰ হৈ ব্ৰহ্মপুত্ৰৰ শৰাইঘাট দলং বান্ধিবৰ বাবে অনেকৰ লগত গুৱাহাটীলৈ আহিছিল। পিছলৈ লেখিকা **১৯৬৫** চনত মাধৱেন আয়েঙ্গাৰৰ সৈতে জগলীয়াৰ পাৰৰ সত্ৰত বিবাহ পাশত আৱদ্ধ হয়। পৰৱৰ্তী সময়ত স্বামীৰ কৰ্মসূত্ৰে ভিন্ন ঠাইত যাব লগা হোৱাত লেখিকাই লাভ কৰা অভিজ্ঞতাই তেওঁৰ সাহিত্যিক জীৱন সমৃদ্ধ কৰিছিল। কিন্তু বিবাহৰ **১৮** মাহৰ পাছতে **১৯৬৭** চনৰ **১৫** এপ্ৰিলৰ পুৱতি নিশা এক পথ দুৰ্ঘটনাত মাধৱেনৰ অকাল মৃত্যু হয়। স্বামীৰ মৃত্যুৰ পাছত হঠাতে জীৱনলৈ অহা পৰিৱৰ্তন গ্ৰহণ কৰিবলৈ তেওঁৰ শৰীৰ আৰু মনৰ লগত কি দৰে যুজঁ দিছিল সেই কথা তেওঁ আত্মজীৱনীখনত খনত উল্লেখ কৰিছে।

আত্মজীৱনীখনত উল্লেখ থকা আন আন নাৰী চৰিত্ৰ সমূহ হৈছে- লেখিকাৰ মাতৃ অম্বিকা দেৱী, ভনীহঁত, পাইন-মাউন্ট'ত পঢ়া ছাত্ৰীসকল, মিছ ড্ৰ্যুৰপ, মিছ হ'লটিন, মিছ লীন, মিছেছ ক'লমেন, মিছ চুইনি, মিছেছ জেমছ ইত্যাদি।

খ) মিছেছ জেমছ নামৰ বৃটিছ মহিলা গৰাকী এসময়ত শ্বিলঙৰ পাইন-মাউন্ট স্কুলত কাম কৰিছিল। অকলশৰীয়া মহিলা গৰাকীয়ে তেওঁৰ ইয়াং নামৰ ক'লা নোমাল কুকুৰটোৰ সৈতে চার্ভেন্ট কোৱাৰ্টাৰ এটাত বাস কৰিছিল। তেওঁৰ কোঠাটোৰ ওচৰতে ক্ৰিনোলিন জলপ্ৰপাতৰ সৰু নিজৰা এটা আছিল। "মিছেছ জেমছে মূৰৰ টুপিটো খুলি থুঁতৰিত ধৰি প্ৰায়ে প্ৰশ্ন কৰিছিল- নিজৰাটোলৈ কিয় চাই থাকা তেনেদৰে? যোৱা- লগৰ ছোৱালীবোৰৰ লগত খেলাগৈ, ছুইমিং পুলত সাঁতোৰাগৈ....."[৪]

গ) মিছ হ'লটিন সাতোঁৰ শিকোৱা এগৰাকী বৃটিছ মহিলা আছিল আৰু তেওঁ বৰ খুচ মেজাজী আছিল। তেওঁ প্ৰত্যেক শুক্ৰবাৰে ক্ৰিনোলিৰ ফলছৰ সন্মুখৰ ছুইমিং পুলত পাইন মাউন্টৰ ছাত্ৰীবোৰক সাতুৰিবলৈ শিকাইছিল।

ঘ) মিছ ড্যুৰপ নামৰ এগৰাকী ইটালীৰ ছিছিলিত জন্মগ্ৰহন কৰা এগৰাকী কাপোৰ চিলোৱা শিকোৱা শিক্ষয়িত্ৰী আছিল। তেওঁ শকত-আৱত চুটি ৰঙচুৱা চুলিৰ আৰু দাঁত দুপাৰি উজলা আছিল। শৰীৰৰ বৰণ বগা আছিল যদিও মুখত কিছুমান দাগ আছিল। মুখৰ গঢ় ভাল নাছিল কিন্তু অত্যন্ত মৰমিয়াল মহিলা অছিল।

ঙ) পাইন-মাউন্ট স্কুলত পঢ়া ছোৱালীবোৰৰ বৰ অৱস্থাপন্ন ঘৰৰ আছিল। সিহঁতৰ সাজ-পোছাকো চকুত লগা আছিল। বগা চাহাবৰ ছোৱালী আছিল সিহঁত। "....নেজলী ৰানাৰ-কাঠফুলাৰ দৰে শৰীৰৰ বৰণ, মৌ সিতাৰ দৰে চুলি আছিল......"[৫] কেতিয়াবা বাৰিষাৰ বতৰত পাইন-মাউন্টৰ ছাত্ৰীসকলে শাৰীপাতি চিনেমা চাবলৈ গৈছিল।

চ) মিছ লীন আছিল পাইন-মাউন্টৰ এগৰাকী প্ৰধান শিক্ষয়িত্ৰী। ভিন্ন ধৰণৰ ব্যক্তিসম্পন্ন মহিলা আছিল তেওঁ। বেছিভাগ সময় অফিছতে কটাইছিল। কেতিয়াবা কোনোবা ছাত্ৰীয়ে যদি গুৰুত্বৰ অপৰাধ কৰে, তেতিয়াহে তেওঁ ক্লাছলৈ গৈছিল আৰু লগত এডাল স্কেলো নিছিল। তাৰপাছত অপৰাধ কৰা ছোৱালীজনীক সকলোৰে সন্মুখত শাস্তি দিছিল। গোলাব ৰায় নামৰ শকত-আৱত ছোৱালী এজনীয়ে প্ৰায়ে এনেধৰণৰ শাস্তি পাইছিল।

ছ) মিছেছ ক'লমেন নামৰ শকত-আৱত গোলাপৰ পাহিৰ দৰে বৰণ বৃটিছ শিক্ষয়িত্ৰী এগৰাকীয়ে পাইন-মাউন্টৰ ছাত্ৰীবোৰক ছবি আঁকিবলৈ শিকাইছিল। "....মিছেছ কলমেনে পতা চিত্ৰ প্ৰতিযোগিতাত মই এখন প্ৰমাণপত্ৰ পাইছিলো। সেই প্ৰমাণপত্ৰখন এতিয়াও হয়তো কৰবাত সোতমোচ খাই পৰি আছে...... ।"[৬]

---

*৪. মামণি ৰয়চম গোস্বামী, আধালেখা দস্তাবেজ, পৃ. ১২*

*৫. উক্ত গ্ৰন্থ, পৃ. ১৩*

*৬. উক্ত গ্ৰন্থ, পৃ. ১৬*

**২.১ শিক্ষিত নাৰী-**

'আধা লেখা দস্তাবেজ' আত্মজীৱনীখনৰ লেখিকা ড° মামণি ৰয়চম গোস্বামী এগৰাকী উচ্চ শিক্ষিতা নাৰী আছিল। প্ৰথমে তেওঁ শ্বিলঙৰ 'পাইন মাউণ্ট' স্কুলত পঢ়িছিল আৰু পিছলৈ গুৱাহাটীৰ তাৰিণীচৰণ বালিকা বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। তেখেতে গুৱাহাটীৰ সন্দিকৈ বালিকা মহাবিদ্যালয়ৰ পৰা আই এ পাচ কৰে। ১৯৬০ চনত অসমীয়া ভাষাত 'মেজৰ' হিচাপে কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পিছত ১৯৬৩ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। ৰামায়ণী সাহিত্যৰ গৱেষক হিচাপে মাধৱ কন্দলীৰ ৰামায়ণৰ গৱেষণাত ডক্টৰেট ডিগ্ৰী লাভ কৰা ড° মামণি ৰয়চম গোস্বামীয়ে দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অধ্যাপিকা স্বৰূপে অৱসৰ গ্ৰহণ কৰে। আত্মজীৱনীখনত উল্লেখ কৰা আন শিক্ষিত নাৰী চৰিত্ৰসমূহ হৈছে- পাইন-মাউণ্টত পঢ়া ছাত্ৰীসকল, মিছ লীন, মিছেছ জেমছ, মিছেছ কলমেন, মিছ ড্যুৰপ আদি।

**২.২ নাৰীৰ সামাজিক স্থিতি-**

'আধা লেখা দস্তাবেজ' আত্মজীৱনীমূলক উপন্যাসখনৰ মূখ্য নাৰী চৰিত্ৰ মামণি ৰয়চম গোস্বামী শ্বিলঙত স্কুলীয়া শিক্ষা গ্ৰহণ কৰি থকাৰ সময়ত তেওঁ খৃষ্টান ধৰ্মৰ প্ৰতি আকৰ্ষিত হোৱা যেন লাগে। 'পাইন মাউন্ট' নামৰ খৃষ্টান স্কুলত পঢ়াৰ বাবে তেওঁ খৃষ্টান শিক্ষয়িত্ৰীসকলৰ দ্বাৰা তেওঁ প্ৰভাৱান্বিত হৈছিল। যীশুৰ ছবি আঁকি তেওঁ যেন হৃদয়ত স্থান দিছিল। সেয়ে তেওঁ আত্মজীৱনীখনত উল্লেখ কৈছে- "....ঈশ্বৰ পুত্ৰ যীশুৰ ছবি হৃদয়ৰ মাজত একেবাৰেই যেন গভীৰভাৱে বহি গৈছিল। পাইন মাউন্টত খ্ৰীষ্ট ধৰ্ম-শাস্ত্ৰৰ (স্ক্ৰিপচাৰ) ক্লাছটোও কৰিছিলো। ক্লাচৰ আগেয়ে হোৱা প্ৰাৰ্থনা সভাত আমি সৰু পুথিত থকা যীছুৰ ধৰ্মগ্ৰন্থৰ গীত গাইছিলো......"[৭]

মামণি ৰয়চম গোস্বামীৰ মাতৃয়েও সমাজৰ বহুতো ৰীতি-নীতি পৰম্পৰা মানি চলা এগৰাকী নাৰী আছিল। পিতাকৰ মৃত্যুৰ পাছত মাতৃয়ে তেওঁৰ মঙ্গল চিন্তাত জ্যোতিষীৰ শৰণাপন্ন হৈছিল। মাতৃৰ সন্তুষ্টিৰ বাবে তেওঁৰ নিৰ্দেশত সকলোবোৰ কৰিছিল। কিন্তু প্ৰকৃতাৰ্থত এই সময়ছোৱাত সাহিত্যচৰ্চাহে তেওঁৰ প্ৰকৃত আশ্ৰয় আছিল। তেওঁ নানান ধৰণৰ জ্যোতিষীৰ ওচৰলৈ গৈছিল আৰু জীয়েকৰ বাবে পূজা-পাতল কৰিছিল। তেওঁ আত্মজীৱনীখনত উল্লেখ কৰিছে—

"....বগলা দেৱীক পূজা কৰিলে ছোৱালীজনীৰ পাপ গ্ৰহ দূৰ হ'ব, উচিত স্থানত বিবাহো হ'ব, মানসিক অশান্তিও দূৰ হ'ব। গতিকে কামাখ্যা ধামৰ দেৱীৰ পাঠলৈ নি দেৱীক বলি উৎসৰ্গ কৰিব লাগিব।....."[৮]

---

*৭. উক্ত গ্ৰন্থ, পৃ. ১৫-১৬.*

*৮. উক্ত গ্ৰন্থ, পৃ, ২৫*

# তৃতীয় অধ্যায়

### ৩.০ “নীলকণ্ঠী ব্ৰজ” উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ-

এই উপন্যাসখনত বহুতো নাৰী চৰিত্ৰ উল্লেখ আছে, তাৰ ভিতৰত উপন্যাসৰ মূখ্য চৰিত্ৰ সৌদামিনীকে ধৰি শশীপ্ৰভা, মৃণালিনী, অনুপমা দেৱী আদি। এই চৰিত্ৰসমূহৰ বিষয়ে তলত উল্লেখ কৰা হ'ল-

ক) সৌদামিনী-

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনৰ মূখ্য নাৰী চৰিত্ৰ হৈছে সৌদামিনী। ইয়াৰোপৰি উপন্যাসখনত আন বহুতো চৰিত্ৰৰ উল্লেখ আছে যদিও সৌদামিনী চৰিত্ৰৰ মাজেদি উপন্যাসখনৰ কাহিনীয়ে গতি লাভ কৰিছে। উপন্যাসখনৰ মূখ্য চৰিত্ৰ সৌদামিনী এগৰাকী কম বয়সীয়া উচ্চবংশীয় বিধৱা আছিল। উচ্চ হিন্দু পৰিয়ালৰ বিধৱাৰ গন্তব্যস্থল বৃন্দাবনত তেওঁলোকে শৰীৰ আৰু মনৰ পৰিশুদ্ধিৰ কাৰণে সন্যাসিনীৰ জীৱন নিৰ্বাহ কৰিছিল। উপন্যাসখনৰ আৰম্ভণিৰ পৰা শেষলৈকে মূখ্য নাৰী চৰিত্ৰ সৌদামিনীৰ অন্তৰৰ পুঞ্জীভুত বেদনাৰ মূল প্ৰকাশ ঘটিছে। উপন্যাসখনৰ নায়িকা সৌদামিনী এগৰাকী বিধৱা গাভৰু নাৰী। স্বামীৰ অকাল মৃত্যুৰ পাছত এজন খ্ৰীষ্টান যুৱকৰ সৈতে প্ৰেম হৈছিল আৰু সেই কথাটো ৰক্ষণশীল পৰিয়ালে মানি ল'ব পৰা নাছিল। সেয়ে তাইৰ চৰিত্ৰৰ সংশোধনৰ বাবে মাক-দেউতাকে হিন্দু বিধৱা নাৰীৰ আশ্ৰয়স্থলী ব্ৰজধামলৈ লৈ যায়। সদ্য বিধৱা আৰু তাৰ পাছত এজন খ্ৰীষ্টান যুৱকৰ প্ৰেমত পৰা সৌদামিনীক ব্ৰজৰ পৰিৱেশে অলপো পৰিৱৰ্তন কৰিব নোৱাৰিলে। দিনক দিনে তাইৰ মন গভীৰ দুখেৰে ভৰি পৰিছিল। তাইৰ শৰীৰ ভাঙি পৰিব ধৰিলে আৰু চকুৰ তলতো ক'লা দাগ পৰিল। পিতৃ-মাতৃয়ে ভবাৰ দৰে তাইৰ মন পৰিৱৰ্তন ন'হল। মামণি ৰয়চম গোস্বামীয়ে লেখাৰু ছাৰৰ অধীনত ৰামায়ণী সাহিত্যৰ বিষয়ে গৱেষণা কৰিবলৈ বৃন্দাবনলৈ গৈছিল। ছাৰ আৰু ছাৰৰ পত্নীয়ে মাধৱেনৰ মৃত্যুৰ কথা আৰু অতীতৰ ঘটনা সমস্ত পাহৰি যাবলৈ কৈছিল। কিন্তু তেওঁ পাহৰিব পৰা নাছিল আৰু মনৰ দুখবোৰো সহজতে পাহৰাও সম্ভৱ নাছিল। তেওঁ এই দিশবোৰ সৌদামিনী চৰিত্ৰৰ মাজেৰে প্ৰকাশ কৰিছে। সৌদামিনীয়ে বৃন্দাবনৰ চিকিৎসালয়ত কৰা ৰোগী আৰু ব্ৰজৰ ধৰ্মীয় পৰিৱেশত শান্তি নাপায় পিতৃ-মাতৃক তাই এনেদৰে চিঞৰি কৈছিল----

“......মোৰ গোটেই জীৱনটো মই এনেদৰে আনৰ দয়াপৰৱশ হৈ কটাব নোৱাৰোঁ- মই মহীয়সী ন'হও যে তোমালোকৰ দৰে জনকল্যানমূলক কাম কৰি মই মোৰ গোটেই জীৱন অতিবাহিত কৰিব পাৰিম। মই স্বাধীন। মই কাকো ভয় নকৰো.........”[৯]

সৌদামিনীৰ সংবেদনশীল মন আৰু সচেতন দৃষ্টিৰ সন্মুখত দাৰিদ্ৰ্যপীড়িত ব্ৰজধামৰ সমাজৰ ছবিখন লাহে লাহে উদ্ভাসিত হৈ উঠিছিল আৰু হাজাৰ হাজাৰ হিন্দু বিধৱা নাৰীৰ আশ্ৰয়স্থল ব্ৰজধাম যে দৰিদ্ৰতা, লোভ, ভ্ৰষ্টাচাৰ, দুনীতি, নাৰীৰ ওপৰত অশ্লীল দৃষ্টি আদিবোৰ লেখিকাই নিজেই প্ৰত্যক্ষ কৰি প্ৰতীয়মান কৰিছল। ব্ৰজধামলৈ আহি যৌন

---

*৯. মামণি ৰয়চম গোস্বামী, নীলকণ্ঠী ব্ৰজ, পৃ. ৫৪*

ব্যাভিচাৰৰ বলি হ'ব লগা হৈছিল। সৌদামিনীয়ে দেখিবলৈ পাইছিল ৰাধেশ্যামীসকলৰ সেই দুদৰ্শা আৰু কদৰ্য ৰূপ। এই সকলোবোৰ ঔপন্যাসিকাই ব্ৰজধামত নিজেই প্ৰত্যক্ষ কৰা।

"........সৰু সৰু খুপৰি জাতীয় ঘৰ কিছুমানত তেওঁলোকে জীৱন অতিবাহিত কৰিছিল। সৰহভাগেই পূৰ্ববংগৰ দিনাজপুৰ, ৰাজসাহী ইত্যাদিৰ মানুহ। কিছুমানে ভক্তিভাৱত গদ্ গদ্ হৈ এই স্থানলৈ আহিছিল যদিও বেছিভাগেই পাৰিবাৰিক অশান্তিত থাকিব নোৱাৰি ব্ৰজধামত আশ্ৰয় লৈছিল। সৰহভাগৰ কাহিনী বৰ নিৰ্মম আৰু যন্ত্ৰণাদায়ক আছিল। মোৰ লগত পিছলৈ একপ্ৰকাৰ আন্তৰিকতাই স্থাপন কৰা ৰাজসাহীৰ বৃদ্ধা ৰাধেশ্যামী এগৰাকীয়ে ঔষধ আৰু চিকিৎসাৰ অভাৱত অন্ধকাৰ খুপৰি এটাত তিলতিলকৈ মৃত্যুবৰণ কৰিছিল সেই দৃশ্য মই দেখিছিলোঁ।........."[১০]

উপন্যাসখনৰ নায়িকা সৌদামিনী চৰিত্ৰটিৰ মাজেৰে বিধৱাৰ প্ৰেম আৰু দৈহিক বাসনাৰ প্ৰতি থকা ক্ষুধাৰ ছবিও প্ৰতিফলিত হৈছে। বিধৱাৰ ওপৰত থকা কঠোৰ সামাজিক অনুশাসন থকাৰ বাবেই এই কাৰ্য গ্ৰহণযোগ্য নহয়। কিন্তু উপন্যাসখনত সৌদামিনীৰ প্ৰেম আৰু বাসনা অতিশয় সংঘাতপূৰ্ণ আৰু আকৰ্ষণীয় ৰূপ পাইছে। সৌদামিনীৰ অন্তৰত স্বামীৰ স্মৃতি আৰু খ্ৰীষ্টান যুৱকৰ মুখ একাকাৰ হৈ পৰিছিল। সৌদামিনীয়ে জানিছিল যে বিধৱাই কৰোবাৰ পৰা প্ৰেম আৰু প্ৰেৰণা বিচৰাটো সমাজে সহ্য নকৰে। তেনেদৰে তেওঁ ব্ৰজধামত থকা সময়ত এজন তৰুণ যুৱকক লগ পাইছিল তৰুণ যুৱকৰ লগত তেওঁ মথুৰালৈও গৈছিল। যুৱকজনৰ সৈতে মামণি ৰয়চম  গোস্বামীৰো এক প্ৰেমৰ ভাৱ জাগি উঠিছিল। এগৰাকী বিধৱাৰ যেন দৈহিক বাসনা দমন কৰি ৰখা বৰ কষ্টকৰ। কেতিয়াবা সেই স্পহা ইমানেই দুৰ্বাৰ হৈ পৰে যে নীতি-নিয়মৰ প্ৰাচীৰ ভাঙি পেলাব খোজে। ঔপন্যাসিকাই এই নিজৰ দৈহিক বাসনাৰ অনুভৱ ব্যক্ত কৰি তেওঁৰ আত্মজীৱনীখনত কৈছে--

"....মোৰ এই প্ৰেমিক মোৰ ওচৰত এয়া থিয় হৈ আছে। মই তেওঁক সৰ্বস্ব দিব পাৰোঁ। 'মাধুৰ' মৃত্যুৰ পাছত বিধাতাই কাঢ়ি নিয়া এক মানৱীয় ক্ষুধাক এই এতিয়াই মই আকৌ এবাৰ চুই চাব পাৰো। সৌৱা এই তৰুণ যুৱকে একেবাৰে মুগ্ধ হৈ মোৰ ৰেহৰূপ চাই আছে।....."[১১]

ঔপন্যাসিকাৰ এই মানৱীয় ক্ষুধা উপন্যাসখনৰ নায়িকা সৌদামিনী চৰিত্ৰটোৰ মাজেৰে অনুভৱ ব্যক্ত কৰিছে। উপন্যাসখনত সৌদামিনীৰ এই প্ৰেম আৰু বাসনাৰ অভিনৱ আৰু সাহসীউপস্থাপনে আকৰ্ষণীয় কৰি তুলিছে। সৌদামিনীয়ে জানিছিল বিধৱাৰ দৈহিক বাসনা সমাজ এখনে কেতিয়াও স্বীকৃতি নিদিয়ে কিন্তু নিজৰ দাবী তাই স্বীকাৰ নকৰাকৈ থাকিব নোৱাৰিলে। এইক্ষেত্ৰত সৌদামিনীৰ অনুভৱ লেখিকাই এনেদৰে দিছে----

---

*১০. মামণি ৰয়চম গোস্বামী, আধালেখা দস্তাবেজ,পৃ. ১৩৮*

*১১. উক্ত গ্ৰন্থ, পৃ. ১৫৫*

"......সুন্দৰ নিপোটল তাইৰ শৰীৰ। যোৱা সাত বছৰৰ মানসিক অত্যাচাৰে তাইৰ শৰীৰত কোনো স্থায়ী চিহ্ন ৰাখিব পৰা নাই। নাই নাই নিজৰ লগত যেন কোনো বুজা পৰা হোৱা নাযায়।..........."[১২]

খ) শশীপ্ৰভা-

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনৰ আন এক বিধৱা দুখী নাৰী চৰিত্ৰ হৈছে শশীপ্ৰভা। এই চৰিত্ৰটোও লেখিকাই বৃন্দাবনত গৱেষণা কৰি থকাৰ সময়ত লগ পোৱা এটি নাৰী চৰিত্ৰৰ আধাৰতেই সজাই তুলিছে। লেখিকাই এই সৰ্ন্দভত নিজৰ আত্মজীৱনীত এনেদৰে লিখিছে----

"......গোপীনাথ বজাৰৰ ব্ৰহ্মকুণ্ডৰ আমি থকা মন্দিৰৰ সন্মুখত আৰু এটা মন্দিৰ আছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ দিনতে কোনোবা বঙালী ভক্তই এই মন্দিৰটোৰ নামেৰে এটা ট্ৰাষ্ট খুলি দিছিল। এগৰাকী ওখ, হটঙা, পৰিস্কাৰ ধৰণৰ বঙালী পূজাৰীয়ে মন্দিৰৰ পূজা পৰ্ব চলাইছিল......।"[১৩]

সৰুতেই বৈধব্যৰ জীৱন কটোৱা বৃন্দাবনত নিজৰ বাকীছোৱা জীৱন সুৰক্ষিতভাৱে অতিবাহিত কৰিবলৈ সুন্দৰী শশীপ্ৰভাই আলমগড়ী নামৰ মন্দিৰৰ বুঢ়া পুৰোহিত এজনৰ লগত একেটা কোঠাতে থাকিবলৈ বাধ্য হৈছিল। পুৰোহিতজন নপুংসক হোৱা বাবে তাই নিশ্চিন্ত মনেৰে দিন অতিবাহিত কৰিব পাৰিছিল। কিন্তু তাইৰ এই নিৰাপত্তাৰ দিন বেছি দিনলৈ টিকি নাথাকিল। মৃণালিনীয়ে যেতিয়া মন্দিৰ বিক্ৰী কৰাৰ কথা শশীপ্ৰভাৰ ওচৰত ব্যক্ত কৰিছিল তেতিয়া তাইৰ মূৰত আকাশী সৰগ ভাগি পৰিছিল। নিজৰ অনাগত জীৱনৰ ভৱিষ্যতৰ কথা ভাবি তাইৰ মন ভাগি পৰিছিল। আলমগড়ী বুঢ়া পুৰোহিত এজনৰ লগত তেনেদৰে থকা বাবে তাইক অনেকেই তুচ্ছ-তাচ্ছিল্য কৰিছিল কিন্তু সেইবোৰলৈ কোনো গুৰুত্ব নিদিলে। মন্দিৰ বিক্ৰী হোৱাৰ পাছত তাই সেই গাভৰু দেহাটো কেনেদৰে ব্ৰজৰ সেই ৰাং কুকুৰবোৰৰ পৰা ৰক্ষা কৰিব সেই ভাবি চিন্তাৰ শেষ হোৱা নাছিল। হৰিণাৰ মাংসই বৈৰীৰ দৰে তাইৰো একেই অৱস্থা। সেয়েহে নিৰাপত্তাৰ বাবে তাইৰ মনে হাহাকাৰ কৰিছিল। মন্দিৰ বিক্ৰী হৈ যোৱাৰ পাছত শশীপ্ৰভায়ে আন আন ৰাধেশ্যামীৰ লগত অন্ধকাৰ খুপৰিত বাস কৰিবলৈ লয়। কিন্তু তাই তাত শান্তিৰে থাকিব নোৱাৰিলে মাংসৰ গোন্ধ লৈ ফুৰা এচাম কামুক পুৰুষৰ দৃষ্টি তাইৰ শৰীৰৰ ওপৰত পৰিছিল। মাজৰাতি তাইৰ দুৱাৰত টুকুৰীয়াই তাইক হাৰাশাস্তি কৰিছিল। এবাৰ এজন পাণ্ডা আহি তাইক যুগল উপাসনাৰ লোভ দেখুৱাই তেওঁৰ লগত একেলগে থকাৰ বাবে প্ৰস্তাৱ আগবঢ়াই কৈছিল----

---

*১২. মামণি ৰয়চম গোস্বামী, নীলকণ্ঠ ব্ৰজ,পৃ. ৬১*

*১৩. ৰয়চম গোস্বামী, আধালেখা দস্তাবেজ,পৃ. ১৩১*

“......শুনা, ময়ো এটা প্ৰস্তাৱ দিব আহিছোঁ, মানে মোৰো মন্দিৰ আছে আৰু মোকো সহায় কৰা তিৰোতা এজনী লাগে। তুমি আলমগড়ীক যেনেদৰে সহায় কৰিছিলা মোকো তেনেদৰে কৰিব লাগিব- মানে দৰকাৰ হ’লে মোৰ লগত শুবও লাগিব।........”[১৪]

কিন্তু শশীপ্ৰভায়ে এই প্ৰস্তাৱত সন্মতি নিদিলে। নিজৰ ওপৰত থকা বিশ্বাসৰ বাবে এই কামুক পুৰুষবোৰৰ ওচৰৰ পৰা নিজকে ৰক্ষা কৰি চলিব পাৰিছিল। আলমগড়ী মৃত্যুৰ পাছত খবৰে তাইৰ অন্তৰ আত্মাক গভীৰ আঘাত কৰিছিল। আলমগড়ীয়ে তেওঁৰ সাচঁতীয়া টকা কিছুমান শশীৰ নামত কৰি থৈ গৈছিল কিন্তু আলমগড়ী ভগ্নীয়ে আপত্তি কৰিছিল। স্বামীৰ মৃত্যুৰ যন্ত্ৰণা, কঠোৰ বৈধব্যৰ ব্ৰত, সমাজৰ গ্লানি, লাঞ্চিত হৈও নিজে সামাজিক অনুশাসনৰ বলি হোৱা সত্ত্বেও ব্ৰজৰ অৱহেলিত দুখী নাৰীক অসহায় অৱস্থাত সহায় কৰি শশীয়ে মহানুভৱতাৰ পৰিচয় দিছে। কোমল হৃদয়ৰ অধিকাৰী শশীয়ে উৎকট দুগন্ধৰ মাজত মৃত্যুৰ ক্ষণ গনা ৰুগীয়া ৰাধেশ্যামীৰ মুখত পানী এটুপি দিয়ে। আলমগড়ী মৃত্যুৰ পাছত ৰাধেশ্যামী সকলে শশীক খুপৰিত থাকিবলৈ অনুমতি নিদিলে। কিয়নো তাইক বিচাৰি পুৰুষবোৰ আহিব ধৰিছিল। সেয়েহে শশী নিৰুপাই হৈ মৃণালিনীৰ ওচৰ চাপিছেগৈ। এই আন্ধাৰ খুপৰিটোৰ ভিতৰতে তাই নিজৰ অনাগত ভৱিষ্যতৰ ভয়ংকৰ ৰূপ কল্পনা কৰি শিহৰি উঠিছে। ইমানতেই এই উপন্যাসখনত চৰিত্ৰটোৰ অন্ত পৰিল। ইয়াৰ পাছত শশীপ্ৰভাৰ কি হ'ল সেই কথা ঔপন্যাসিকাই উল্লেখ কৰা নাই।

ওপৰৰ আলোচনাৰ পৰা এই কথা ক’ব পাৰি যে শশীও সৌদামিনীৰ দৰে সামাজিক অনুশাসনৰ বলি হোৱা নাৰী। অনুশাসনৰ বাবে বিধৱা হোৱাৰ পাছত শশীও পুনৰ বিবাহ পাশত আৱদ্ধ হ’ব পৰা নাছিল। মন্দিৰৰ পূজাৰী আলমগড়ীৰ সৈতে যুগল উপাসনাৰ নামত একেখন চালিতে থকাৰ পাছত তেওঁৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছিল। মামণি ৰয়চম গোস্বামীয়ে তেওঁৰ আত্মজীৱনীত খনত উল্লেখ কৰিছে তেওঁ বৃন্দাবনত থাকোঁতে এজন পূজাৰীৰ লগত একেটা কোঠাত এগৰাকী ৰাধেশ্যামী বাস কৰাৰ কথা। এই ৰাধেশ্যামী সকলক তেওঁ চাক্ষুষ দৃষ্টিৰে প্ৰত্যক্ষ কৰা। এই ৰাধেশ্যামী গৰাকীৰ জীৱনৰ প্ৰতিটো দুখ-যন্ত্ৰণা শশীপ্ৰভা চৰিত্ৰটোৰ মাজেৰে ঔপন্যাসিকাই প্ৰকাশ কৰিছে। বৃন্দাবনত থকা সেই ৰাধেশ্যামী গৰাকীৰ ওপৰত কামাতুৰ পুৰুষ সকলৰ ব্যৱহাৰ আৰু সমাজৰ গ্লানি আদি দিশবোৰ শশীপ্ৰভাৰ মাজেৰে সুন্দৰ ৰূপত উপন্যাসখনত পোৱা যায়।

গ) মৃণালিনী-

‘নীলকণ্ঠী ব্ৰজ’ উপন্যাসখনত উল্লেখিত মৃণালিনী হৈছে নাৰীৰ দুখত সমভাগী আন এক সহযাত্ৰী। লেখিকাই এই চৰিত্ৰটো তেওঁৰ বান্ধৱী মনুৰ আধাৰত উপস্হাপন কৰিছে। বৃন্দাবনত থকাৰ সময়ত তেওঁ মৃণালিনীক লগ পাইছিল। এই সম্পৰ্কে তেওঁ আধা লেখা দস্তাবেজত এনেদৰে উল্লেখ কৰিছে---

*১৪. মামণি ৰয়চম গোস্বামী, নীলকণ্ঠী ব্ৰজ, পৃ. ৬৪*

"...এইখিনিতে মই মোৰ বান্ধৱী মনুৰ এটা পৰিচয় দিয়া উচিত হ'ব। মনুৰ পিতাক সেন মহোদয় সম্ভ্ৰান্ত পৰিয়ালৰ বঙালী ভদ্ৰলোক আছিল। পৰিয়ালটোৱে শ্বিলঙত অনেক দিন বাস কৰিছিল। সেনবাবুৰ পিতাকে বৃন্দাবনত মন্দিৰ এটা কিনি এক 'ট্ৰাষ্টফাণ্ড' কৰি সেনবাবুক ট্ৰাষ্ট্ৰী কৰিছিল। মই বৃন্দাবনত থাকোঁতেই সেনবাবুৰ পৰিয়ালটোৱে একপ্ৰকাৰ সৰ্বস্বান্ত হোৱাৰ দৰে শ্বিলঙৰ পৰা আহি বৃন্দাবনত বাস কৰিবলৈ লৈছিল। পিছলৈ টকা-পইচাৰ ইমান বেছি হাহাকাৰ হৈছিল যে বৰ কম দামত তেওঁ মন্দিৰটো বেচি দি পৰিয়ালৰ সৈতে মন্দিৰৰ তলৰ খুপৰি এটাত বাস কৰিবলৈ আৰম্ভ কৰিছিল। মনুৰ মাকে মানসিক সুস্থিৰতা হেৰুৱাইছিল। এই পৰিয়ালটোৰ অৱস্থাই সেইসময়ত মোৰ হৃদয় স্পৰ্শ কৰিছিল। ঐতিহ্যপূৰ্ণ এক পৰিয়ালৰ শেষৰ এই দুৰ্বিসহ জীৱন-যাত্ৰাৰ ছবি মোৰ বাবে সচাঁকৈয়ে বৰ বিস্ময়কৰ আছিল। ইতিমধ্যে সেনবাবুৰ দৃষ্টিশক্তি হেৰুৱাই একেবাৰে অন্ধ হৈ পৰিছিল। এই অন্ধ সেনবাবু আৰু তেওঁৰ মানসিক ব্যাধিগ্ৰস্ত পৰিবাৰে মন্দিৰৰ তলৰ এই অন্ধকূপত তিলতিলকৈ জীৱন অতিবাহিত কৰি মৃত্যু সাবটি লৈছিল।....."[১৫]

উপন্যাসখনত মনুক লেখিকাই মৃণালিনী নামেৰে উপস্থাপন কৰিছে। তাইৰ বৃদ্ধ পিতৃৰ নাম হৈছে কৃষ্ণকান্ত ঠাকুৰ আৰু মাকৰ নাম উল্লেখ কৰা নাই। দুকুৰি বছৰ গৰকা মৃণালিনীয়ে সংসাৰ জীৱনৰ পাতনি নেমেলি বৃদ্ধ পিতৃ-মাতৃক চোৱা চিতাৰ গভীৰ দ্বায়িত্ব পালন কৰিছিল। প্ৰথমতে তেওঁলোকৰ অৱস্থা তেনে নাছিল। এখন আঢ্যৱন্ত ঘৰৰ ছোৱালী আছিল তাই। কিন্তু লম্পট স্বভাৱৰ পিতৃৰ বাবে আজি তেওঁলোকৰ হাতীৰ পেটত পানী নোহোৱা হোৱা অৱস্থা এটা হৈছে। ফলত বৃন্দাবনলৈ আহি এটি সৰু পজাঁত থাকিবলগীয়া হৈছিল। মৃণালিনীয়ে অন্ধ পঙ্গু বাপেক আৰু উন্মাদ মাতৃৰ ভৰণ পোষণৰ দ্বায়িত্ব পালন কৰিছিল। নিজৰ সৰ্বস্ব ইচ্ছা-আকাংক্ষাক ত্যাগ কৰি পিতৃ-মাতৃৰ শ্ৰদ্ধাৰ ভাৰ প্ৰকাশ কৰিছে। কিন্তু গাধৰ দৰে দ্বায়িত্ব পালন কৰি তাইৰ ধৈৰ্য্যৰ বান্ধ কেতিয়াবা হেৰাই যায় আৰু দেউতাকক তেওঁ কৰা অন্যায়ৰ বিষয়ে সজাগ কৰি তেওঁৰ লগত তৰ্কত লিপ্ত হৈ মনৰ ক্ষোভবোৰ বাহিৰ কৰে। সকলো নাৰীৰে মনত এখন সুখৰ সংসাৰৰ ছবি থাকে কিন্তু মৃণালিনীয়ে সেই ছবি আঁকিব নোৱাৰিলে কেৱল তাইৰ পিতৃৰ লম্পট স্বাভৱৰ বাবে। এই কথাখিনিৰ মাজেৰেই তাইৰ অন্তৰত পুঞ্জীভুত হৈ থকা ক্ষোভৰ উমান পোৱা যায়। সিহঁতৰ ব্ৰজধামত থকা 'বিহৰী কুঞ্জ' মন্দিৰটি বিক্ৰী হৈ যোৱাৰ পাছত তাই পিতৃ-মাতৃৰ পেট প্ৰৱৰ্তাবলৈ মন্দিৰৰ দুৱাৰে দুৱাৰে গৈ ভিক্ষা মাগিব লগা হৈছে। মৃণালিনীৰ অন্তৰত লম্পট স্বভাৱৰ পিতৃৰ বাবে ক্ষোভ আছিল ঠিকেই কিন্তু তাই নিজৰ পুত্ৰীৰ দ্বায়িত্ব পালন কৰিবলৈ বদ্ধপৰিপক্ক আছিল। সেয়েহে সকলো লাজ মান কাটি কৰি ইচ্ছা-আকাংক্ষাক পৰিহাৰ কৰি

---

*১৫. উক্ত গ্ৰন্থ, পৃ. ১৭১*

নিজৰ দ্বায়িত্ব পালন কৰিছে। এয়া তাইৰ ধৈৰ্য, সহনশীলতা, তথা মহানতাৰ এক চৰম নিদৰ্শন স্বৰূপ। আনহাতে যাইৰ চৰিত্ৰৰ আন এক দিশ হৈছে তাইৰ সততা আৰু সাহস। বৃন্দাৱনত থকাৰ সময়ত তাইৰ শশীপ্ৰভা নামৰ বিধৱা নাৰীগৰাকীৰ লগৰী আছিল। শশীয়ে ভোকাতুৰ কুকুৰবোৰৰ পৰা নিজৰ শৰীৰটো ৰক্ষা কৰিবলৈ আলমগড়ী নামৰ বুঢ়া এটাৰ লগত সুৰক্ষিত দিন কটাইছিল। কিন্তু আলমগড়ী মৃত্যুৰ পাছত তাই অসহায় হৈ মৃণালিনীৰ কাষ চাপে। মৃণালিনীয়ে তাইৰ নিজৰ ঠেৰু চিগা অৱস্থাৰ পিছতো শশীক সাহস দিবলৈ এৰা নাই। দেহৰ গোন্ধ লৈ ফুৰা ভণ্ড বাবাজীবোৰৰ পৰা সাৱধানে থাকিবলৈ তাই শশীক সৰ্তকবাণী শুনাইছে। লেখিকাৰ ভাষাৰে------

"......এতিয়া তোমাৰ মূৰৰ ওপৰত কোনো নাই বুলি সিহঁতে বঢ়িয়াকৈ জানিছে। আৰু শুনা, সেই ঠেৰুছিগা বখবাজীজাকে সুবিধা বুজি তোমাক 'যুগল উপাসনা'ৰ প্ৰস্তাৱ কৰিবহিখবৰদ্দাৰ। তুমি দ্বিতীয় ভুল নকৰিবা। খাবলৈ নেপাই আলিৰ বুকুত মুখ থেকেচা খাই পৰি মৰিলেও সৎ হৈ মৰাৰ নিচা আছে.........।"[১৬]

এই সততাৰ আৰু সাহসৰ বাবেই তাই বৃন্দাবনত একো বিপদ নোহোৱাকৈ ঘূৰি ফুৰিব পাৰিছিল। নিজৰ দেহটো কামাতুৰ পুৰুষবোৰৰ ওচৰৰ পৰা ৰক্ষা কৰি তাই বৃন্দাবনত চলিব পাৰিছিল কেৱল তাইৰ সততা আৰু সখহসৰ বাবেই। মৃণালিনী চৰিত্ৰটো বিশ্লেষণ কৰিলে দেখা যায় যে তাই সাহসী, সত্যবাদী, কৰ্তব্যপৰায়ণ, মৰমীয়াল, বিদ্ৰোহী আৰু যুক্তিবাদী নাৰী। একমাত্ৰ পিতৃ-মাতৃৰ বাবেই নিজৰ সকলো আশা-আকাংক্ষা ত্যাগ কৰি ব্ৰজধামত ভিক্ষাৰীৰ জীৱন অতিবাহিত কৰিছে।

ঘ) অনুপমা দেৱী-

অনুপমা দেৱী নাৰী চৰিত্ৰটো 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনৰ বৰ্ণিত অসহায় মাতৃ চৰিত্ৰ। এই চৰিত্ৰটো লেখিকাই তেওঁ গৱেষণা কৰি থকাৰ সময়ত তেওঁৰ গুৰু উপেন্দ্ৰ লেখাৰু ছাৰৰ পত্নী যাক তেওঁ মাহীদেউ বুলি সম্বোধন কৰিছিল তাৰেই আধাৰত চৰিত্ৰটো নিৰ্মিত। কিয়নো বৃন্দাবনত থকাৰ সময়ত গুৰুপত্নীয়ে লেখিকাক বিভিন্ন বাবাৰ ওচৰলৈ নি তেওঁৰ ভৱিষ্যত সম্পৰ্কে আলোচনা কৰিছিল। সৌদামিনীয়ে যেনেদৰে অনুপমা দেৱীৰ সৈতে বৃন্দাবনৰ উৎসৱ পাৰ্বন আদিত ঘূৰি ফুৰিছিল ঠিক তেনেকৈ লেখিকাও তেওঁৰ গুৰুৰ পত্নীৰ লগত বৃন্দাবনৰ মধুৰ বাৰ্তাবৰণ উপভোগ কৰিছিল। পিছলৈ অনুপমা দেৱীৰ স্বাস্থ্য সৌদামিনীৰ চিন্তাত তৰপে তৰপে ভাগি পৰিছিল। অত্যন্ত গোড়া স্বভাৱৰ এগৰাকী নাৰী চৰিত্ৰ আছিল অনুপমা দেৱী। সেয়েহে বিধৱা হোৱা জীয়েকে ভাল পোৱা খ্ৰীষ্টান যুৱকজনৰ পৰা আতঁৰাই আনি বৃন্দাবন পোৱাইছে। জীয়েকে ধৰ্ম-কৰ্মৰ জৰিয়তে বাকীছোৱা জীৱন পালন কৰিব লাগে বুলি তেওঁৰ অমূলক ধাৰণা এটা গঢ় লৈ উঠিছিল। দিনে-নিশাই সৌদামিনীৰ ভৱিষ্যতৰ কথাই তেওঁক

*১৬. মামণি ৰয়চম গোস্বামী, আধালেখা দস্তাবেজ,পৃ. ২২২*

কুৰুকি কুৰুকি খাইছিল। তেওঁ বৃন্দাবনত থকা কালত মনে প্ৰাণে বিচাৰিছিল যে সৌদামিনীয়ে সেই খ্ৰীষ্টান ল'ৰা জনক পাহৰি কেৱল ধৰ্ম কৰ্মত মন নিমজ্জিত কৰে। এফালে তেওঁৰ মাতৃ হৃদয়ে সৌদামিনীৰ দুখত কাতৰ হৈ পৰিছিল আৰু আনফালে তেওঁৰ গোড়া মনোবৃত্তিয়ে বাৰে বাৰে বিচাৰিছিল যে সৌদামিনী ধৰ্মৰ শিকলিৰে বান্ধখাই পৰক আৰু সেই খ্ৰীষ্টান যুৱকৰ পৰা আঁতৰি থাকক। তেওঁৰ নাৰী চৰিত্ৰৰ আন এক উল্লেখযোগ্য দিশ আছিল ধৰ্মভীৰু।

সেয়েহে তেওঁ সৌদামিনীক বৃন্দাবনত থকা বিভিন্ন বাবাৰ ওচৰলৈ নি তেওঁ তাইৰ ভৱিষ্যত সম্পৰ্কে তেওঁলোকৰ লগত আলোচনা কৰিছিল। তেওঁ সৌদামিনীৰ মনৰ আশা-আকাংক্ষা কথা কোনো দিনে ভবা নাছিল। তেওঁ ভাবিছিল কেনেদৰে তাই নিজৰ ধৰ্ম ৰক্ষা কৰি পিছৰ জীৱনটো বৃন্দাৱনত ধৰ্ম কৰ্মৰ মাজেৰে পাৰ কৰিব পাৰে। এই চৰিত্ৰটোৰ মাজত মাতৃ হৃদয়ৰ মৰম-চেনেহ স্পষ্ট হৈছে। মামণি ৰয়চম গোস্বামীয়ে বৃন্দাবনত ৰামায়ণী সাহিত্যৰ বিষয়ে গৱেষণা কৰিবলৈ যাওঁতে লেখাৰু ছাৰৰ ঘৰত আছিল। তেওঁ নিজৰ জীয়েকৰ দৰে মৰম-চেনেহ কৰিছিল। অকালতে স্বামীহাৰা হোৱাৰ কথা তেওঁলোকে জানিছিল সেয়েহে অতীতৰ সমস্ত ঘটনা পাহৰি গৱেষণা কামত মনোযোগ দিবলৈ কৈছিল।

### ৩.১ বিধৱা নাৰী-

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনত উল্লেখ থকা বেছি সংখ্যক নাৰী চৰিত্ৰয়ে হৈছে বিধৱা। ইয়াৰে মূখ্য নাৰী চৰিত্ৰ সৌদামিনীকে ধৰি আন চৰিত্ৰসমূহৰ বিষয়ে তলত আলোচনা আগবঢ়োৱা হ'লঃ

ক) সৌদামিনী-

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনৰ মূখ্য নাৰী চৰিত্ৰ সৌদামিনী এগৰাকী কম বয়সীয়া বিধৱা আছিল। উচ্চ হিন্দু পৰিয়ালৰ সৌদামিনীৰ পিতৃ আছিল ডাঃ ৰায়চৌধুৰী আৰু মাতৃ অনুপমা। পৰম্পৰাগত সমাজৰ নিয়ম অনুসৰি সৌদামিনীৰ বিয়া হৈছিল এক অভিজাত ব্ৰাহ্মণ পৰিয়ালৰ লৰাৰ লগত। কিন্তু তেওঁলোকৰ একমাত্ৰ জীয়ৰী সৌদামিনীৰ বিবাহৰ মাত্ৰ এবছৰৰ পাছতেই স্বামীৰ মৃত্যু হোৱাত অকাল বৈধব্যক সাৱতিব লগা হৈছিল। পৰিয়ালৰ কঠোৰ পৰম্পৰাৰ বলি হৈ সৌদামিনীয়ে বিধৱা ব্ৰত পালন কৰিলে যদিও শৰীৰৰ তাড়নাক কোনোপধ্যে অস্বীকাৰ কৰিব নোৱাৰিলে। তাইৰ সেইজন মৃত স্বামীকেই এতিয়া শত্ৰুজ্ঞান কৰি তাই উপন্যাসখনত এইদৰে উল্লেখ কৰিছে------

"......মোৰ মৃত স্বামীক আজি কালি মই মোৰ শত্ৰু বুলি ভাবিবলৈ শিকিছোঁ আৰু তেওঁৰ দোষ কিছুমান (সচাঁ কথা ক'বলৈ গ'লে তেওঁৰ কোনো দোষ মোৰ চকুত পৰা নাছিল, অদ্ভুত, অবিশ্বাস্য চৰিত্ৰ নহয়নে?) মই কুৰুকি কুৰুকি উলিয়াব শিকিছিলো...... নিষ্ঠুৰতা,

অন্যায়, বিশ্বাস কৰা এই নিষ্ঠুৰতা আৰু অন্যায়ক আশ্ৰয় হিচাপে লৈ যেতিয়া সান্ত্বনা বিচাৰিবলগীয়া হয়।.........”[১৭]

জীৱনত মধুৰতাৰ ৰং সানি হঠাত তাইৰ জীৱনৰ পৰা স্বামী আঁতৰি যোৱা বাবেই তাই স্বামীক শত্ৰু বুলি ভাবিছে। সেয়ে প্ৰেমিকৰ সান্নিধ্যৰ মাজেৰেহে পুনৰ যেন তাই জীৱনৰ অৰ্থ বিচাৰি পাবলৈ প্ৰয়াস কৰিছে। সৌদামিনীয়ে ৰক্ষণশীলতাৰ ওচৰত পৰাজিত হৈ মাতৃ, স্বামী, প্ৰেমিক, সমাজ সকলোৰে কথা ভাবি প্ৰবল অৰ্ন্তদ্বন্দ্বত ভুগি অৱশেষত যমুনাত আত্মহত্যা কৰে। মানসিক দ্বন্দ্বত জৰ্জৰিত হৈ পৰা সৌদামিনীৰ যেন কৰুণ মৃত্যু হ’ল। এই মৃত্যুৰ কাৰণেই সৌদামিনীয়ে ৰক্ষণশীলতাৰ উৰ্দ্ধলৈ যাব নোৱাৰিলে যদিও আত্মহত্যাৰে এক প্ৰতিবাদ সাব্যস্ত কৰি থৈ গ’ল। উপন্যাসখনৰ মূল চৰিত্ৰ এই নাৰীগৰাকীৰ অন্তৰ্বেদনা, মানসিক দ্বন্দ্ব, স্বাভাৱিক জৈৱিক ক্ষুধা আৰু পৰম্পৰাগত ৰক্ষণশীল সমাজৰ বিৰুদ্ধে কৰা ক্ষোভ আৰু প্ৰতিবাদ অতি বাস্তৱসন্মত ভাবে চিত্ৰিত হৈছে। সৌদামিনী যেন প্ৰগতিশলতাৰ আৰু বিদ্ৰোহৰ প্ৰতীক হৈ উঠিছে।

খ) শশীপ্ৰভা-

‘নীলকণ্ঠী ব্ৰজ’ উপন্যাসখনৰ আন এগৰাকী কম বয়সীয়া দুখী বিধৱা নাৰী চৰিত্ৰ হৈছে শশীপ্ৰভা। তেওঁ আলমগড়ৰৰ পুজাৰী এজনক মন্দিৰৰ কামত সহায় কৰি দিছিল। পিছলৈ তাই আলমগাড়ীৰ লগতে একেটা কোঠাতে থাকিবলৈ আৰম্ভ কৰিছিল। কেইবাজনো পুজাৰীয়ে এনেকৈ বিধৱা তিৰোতা ৰাখিছিল। এনেদৰে এদিন আলমগড়ীৰ বন্ধু এজনে শশীপ্ৰভাৰ অকলশৰীয়াৰ সুবিধা বিচাৰি আহিছিল। লেখিকাই উপন্যাসখনত বৰ্ণনা কৰিছে---

“......তুমি আলমগড়ীক যেনেদৰে সহায় কৰিছিলা মোকো তেনেদৰে কৰিব লাগিব মানে দৰকাৰ হলে মোৰ লগত শুবও লাগিব।......”[১৮]

কিন্তু শশীপ্ৰভায়ে এই প্ৰস্তাৱত সন্মতি নিদিলে। নিজৰ ওপৰত থকা বিশ্বাসৰ বাবে এই কামুক পুৰুষবোৰৰ ওচৰৰ পৰা নিজকে ৰক্ষা কৰি চলিব পাৰিছিল। আলমগড়ী মৃত্যুৰ পাছত খবৰে তাইৰ অন্তৰ আত্মাক গভীৰ আঘাত কৰিছিল।

গ) মৃণালিনী-

উপন্যাসখনত বৰ্ণিত মৃণালিনী নামৰ চৰিত্ৰটো হৈছে নাৰীৰ দুখত সমভাগী আন এক সহযাত্ৰী। লেখিকাই এই চৰিত্ৰটো তেওঁৰ বান্ধৱী মনুৰ আধাৰত উপস্থাপন কৰিছে। বৃন্দাবনত থকাৰ সময়ত তেওঁ মৃণালিনীক লগ পাইছিল।

*১৭. মামণি ৰয়চম গোস্বামী, নীলকণ্ঠী ব্ৰজ, পৃ. ৭২*

*১৮.উক্ত গ্ৰন্থ, পৃ. ৬২*

## ৩.২ নাৰীৰ সামাজিক স্থিতি-

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনত ধৰ্মীয় সমাজত নাৰীৰ স্থিতিৰ এক দুখলগা ছবি অঙ্কিত হৈছে। ইয়াতো আছে বাল্য বিবাহ, নাৰীৰ প্ৰেম, বিধৱাৰ ইচ্ছা, নাৰীক পণ্য সামগ্ৰী বুলি ভবা, জাত-পাতৰ বিচাৰ, ৰক্ষণশীলতা, পুৰুষৰ আধিপত্য আৰু নাৰীৰ ঔদ্ধদেহিকৰ এই উপন্যাসখনত উল্লেখ কৰা হৈছে। উপন্যাসখনৰ মূখ্য নাৰী চৰিত্ৰ সৌদামিনীয়ে স্বামীহাৰা হোৱাৰ পাছত এজন খৃষ্টান যুৱকক ভাল পাইছিল। কিন্তু মাক অনুপমাৰ দৰে বিধৱা নাৰী এগৰাকী সেই প্ৰেমক কেতিয়াও স্বীকৃতি দিব পৰা নাছিল। সেয়া যেন সমাজ বিৰুদ্ধ কথা, এক মহাপাপ। আনহাতে সৌদামিনীৰ হৃদয়ত সেই খৃষ্টান যুৱকৰ অস্তিত্ব যেন এক হৈ যোৱাৰ পথত। এফালে মাক-বাপেকৰ প্ৰৱল বাধা, আনফালে সৌদামিনীৰ আকৰ্ষণ, এই দুয়োটাৰ মাজত খৃষ্টান যুৱকৰ লগত সেই প্ৰেম আছিল অনন্য। শশীপ্ৰভা নামৰ বিধৱাজনীয়েও একেই কাৰণত বাল ব্ৰহ্মচাৰীৰ প্ৰেমত পৰি কেৱল অনুভূতিৰ মাজেৰেই নিজকে ধন্য কৰিছিল। গতিকে এইখন উপন্যাসত বিধৱাৰ প্ৰেমতো যে প্ৰবল সামাজিক বাধা আছিল তাৰ প্ৰমাণ পোৱা যায়। হিন্দু ধৰ্মৰ বিৰুদ্ধে গৈ এজনী কম বয়সীয়া বিধৱাই এজন খ্ৰীষ্টান যুৱকক বিয়া কৰাৰ ক্ষেত্ৰত সমাজে কোনো দিনেই সম্মত নিদিয়ে। সেয়ে সৌদামিনীয়ে আত্মহত্যাৰ মাজেদি অসমীয়া সমাজৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদেই সাব্যস্ত কৰিলে।

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনত বাল্য বিবাহৰ কথা উল্লেখ পোৱা যায়। সৌদামিনীৰ পুষ্পিতা হোৱাৰ আগতেই বাল্য বিবাহ হৈছিল। কিন্তু অকাল বৈধব্যক সাৱতী পিতৃগৃহত থাকি মনলৈ শান্তি আনিব খুজিও সৌদামিনীয়ে স্বামী সঙ্গৰ মধুৰতা পাহৰিব পৰা নাছিল। দৈহিক ক্ষুধাৰ অনন্ত ছটফটনিত সৌদামিনী অতীষ্ঠ হৈছিল। আনকি হিন্দুৰ পবিত্ৰ তীৰ্থ স্থান বৃন্দাবনতো মনলৈ কোনো ধৰণৰ প্ৰশান্তি আনিব পৰা নাছিল। বাল্য বিবাহ আৰু অকাল বৈধব্য এই দুয়োটাৰেই বলি হৈ সৌদামিনীয়ে জীৱনৰ মাধুৰ্য হেৰুৱাই পেলাইছিল। তাতে ব্ৰজধামৰ সমাজ ব্যৱস্থাৰ ৰূপ দেখিও সৌদামিনী হতভম্ব হৈ পৰিছিল। আন এগৰাকী নাৰী শশীয়েও বাল্য বিবাহৰ কবলত পৰি অৱশেষত অকাল বৈধব্যক সাৱতি পৰপুৰষৰ আশ্ৰয়ত দিন কটাবলগীয়া হৈছিল। অকল সেয়ে নহয়, বহুত পুৰুষ পাণ্ডাই শশীৰ দৰে বিধবাক ৰাতিৰ লগৰী হ'বলৈ প্ৰস্তাৱ দিয়ে। নাৰী আৰু পুৰুষৰ বাবে এই বৃন্দাবন এখন পবিত্ৰ স্থান। ধৰ্মীয় বাতাবৰণ পুষ্ট এখন সমাজ তাত আছিল। সেই পবিত্ৰ স্থানত বিভিন্ন স্থানৰ পৰা অহা বিধৱাসকলে ভাবিছিল যে সিহঁতৰ জীৱনৰ দুখ যেন তাতেই নিৰাময় হ'ব। কিন্তু সেই ধৰ্মীয় সমাজতো পুৰুষৰ আধিপত্যই বেছি হোৱা বাবে নাৰীয়ে পবিত্ৰ ভাবৰ সলনি এক বিষাক্ত পৰিবেশতহে জীৱন কটাবলগীয়া হয়। যৌৱনৰ মাদকতাৰে পূৰ্ণ বিধৱাই হওক অথবা প্ৰৌঢ়া বিধৱাই হওক সকলো নাৰী যেন এই ধৰ্মীয় সমাজত পুৰুষৰ ভোগৰহে বস্তু। নাৰীয়ে যেন বৃন্দাবনত ভৰি দিয়েই পুৰুষৰ পশুত্ব দেখি হতবাক হয়। সেই পুৰুষসকলক বাধা

দিওঁতাও কোনো নাই। পুৰুষসকলেও কোমল বয়সীয়া বিধৱা সকলক ভগ্নী বা জীয়াৰী ৰূপত নেচায়। সমাজত জাত-পাতৰ বিভিন্নতাই মানুহক মানুহৰ পৰা আঁতৰাই নিয়াৰ যি নির্মম ব্যৱস্থা সেয়াও সৌদামিনীয়ে সর্বান্তঃকৰণেৰে মানিব নুখুজি খৃষ্টান যুবক এজনক ভাল পাই মানৱতাবাদৰেই যেন গুণ-গান কৰিছে। সৌদামিনীয়ে ভাবে ঈশ্বৰে মানুহহে সৃষ্টি কৰিছে, কাৰোবাক খৃষ্টান, কাৰোবাক হিন্দু বা শিখ বুলি সৃষ্টি কৰা নাই। এয়া সমাজৰহে উদ্ভাৱন। গতিকে এনে দৃষ্টিভংগীৰ বাবেই সৌদামিনী প্রকৃতার্থত মানৱতাবাদী হৈ পৰিছে। কিন্তু সমাজে তাইৰ সেই মানৱতাবাদী দৃষ্টিভংগীক স্বীকাৰ কৰিব খোজা নাই। তাই যে এগৰাকী দুখী নাৰী সেই অনুভৱ আনকি তাইৰ মাক অনুপমাইও কৰা নাই। মাক অনুপমাইও সৌদামিনীৰ মহৎ আদর্শৰ বিপৰীতে ধর্ম জাত্যাভিমানকহে গুৰুত্ব দিছে। অৱশেষত মানৱীয় প্রমূল্যৰ বার্তাবাহী সৌদামিনী অমানবীয়তাৰেই বলি হ'বলগীয়া হৈছে।

উপন্যাসৰ আন এগৰাকী নাৰী চৰিত্র মৃণালিনীৰ চিন্তা, কার্যকলাপ আৰু সাহসৰ মাজেৰেও নাৰীবাদী চিন্তাৰ সামান্য আভাস পোৱা যায়। নিজৰ ভৱিষ্যতৰ সকলো স্বপ্ন বিসর্জন দি মৃণালিনীয়ে অন্ধ পিতৃ আৰু মানসিক বিকাৰগ্রস্ত মাতৃৰ সেৱা শুশ্রূষা কৰিছে শেষ মুহূর্তলৈ। ডেকাকালত আনকি বিবাহিত জীৱনতো পত্নী আৰু সন্তানৰ প্রতি সম্পূর্ণ অৱহেলা কৰি যি পিতৃয়ে অপকর্ম কৰিছিল, যাৰ বাবে এদিন মৃণালিনীয়ে জন্মদাতা সেই পিতৃক কণা-বুঢ়া, মদপী বুলি গালি পাৰিছে, এইজন পিতৃৰ বাবেই তাই আজীবন অবিবাহিতা হৈ থাকিবলগীয়া হৈছে। তথাপিও তাই পিতৃ-মাতৃৰ আলপৈচান ধৰিছে। অভাৱৰ তাড়ণাত পৈত্রিক সম্পত্তি বেছিব লগা হোৱাত তাই পিতৃ-মাতৃক লৈ সাধাৰণ জুপৰিত বাস কৰিছে। ভৰণ-পোষণৰ দায়িত্ব লৈ তাই সকলো লাজ-মান কাতি কৰি ভিক্ষাৰীৰ দৰে মন্দিৰৰ দুৱাৰত বহিছে, ঔদ্ধদেহিকৰ বাবে টকা গোটাইছে। এনেদৰে এজন পুৰুষ সন্তানে পিতৃ-মাতৃৰ বাবে যি গধুৰ দায়িত্ব পালন কৰিব লাগে, সেই দায়িত্ব তাই অতি সাহস আৰু দৃঢ়তাৰে পালন কৰিছে। পিতৃ-মাতৃৰ প্রতি দায়িত্ব পালনত পুত্রৰ দৰে কন্যা সন্তানৰো যে দায়িত্ব আছে আৰু সেই দায়িত্ব কন্যাইওযে পালন কৰিব পাৰে সেই নিদর্শন মৃণালিনীয়ে দেখুওৱাৰ ফলত নাৰী-পুৰুষৰ সমতাৰেই ধাৰণা যেন প্রতিপন্ন হৈছে, যিটো নাৰীবাদৰেই এক বিশিষ্ট লক্ষণ। মৃণালিনীৰ কার্য আৰু চিন্তাৰ মাজেদি মানৱতাবাদৰ দিশটোও সুন্দৰকৈ প্রকাশি উঠিছে। মৃণালিনীও দুখীৰ দুখ অনুভৱ কৰা এগৰাকী নাৰী। অসহায়ত পৰা নাৰীক মৃণালিনীয়ে যেন উদ্ধাৰ কৰিছে। শশী নামৰ তেনে এগৰাকী নাৰীক তাই লগ পাইছিল ব্রজৰ মাটিত। যেতিয়া আলমগঢ়ীক পুৰি আহি তিতা কাপোৰেৰে শশীয়ে মৃণালিনীৰ দুৱাৰত ৰাতি ঢকিয়াই বাহিৰত কঁপি কঁপি থিয় হৈ আছিল। যেতিয়া আলমগঢ়ীক পুৰি আহি তিতা কাপোৰেৰে শশীয়ে মৃণালিনীৰ দুৱাৰত ৰাতি ঢকিয়াই বাহিৰত কঁপি কঁপি থিয়হৈ আছিল তেতিয়া মৃণালিনীয়ে ঘৰৰ ভিতৰলৈ লৈ আহি তাইক আশ্রয় দিছে। নিজেই অর্থাভাৱত আৰু বস্ত্রাভাৱত কক্কাই থকা মৃণালিনীয়ে নিজৰ বাকী থকা এখন কাপোৰকে দি শশীক তিতা কাপোৰ সলাবলৈ

কৈছে। নিজৰ খুপৰি বুঢ়ী ৰাধেশ্যামীক মাত্ৰ দুটকাত ভাড়া দি সেয়াও সময়ত নোপোৱাত মৃণালিনীয়ে সিঁহতক উলিয়াইও দিব পৰা নাই কেৱল মানৱতাৰ খাটিৰত। গতিকে অসহায়ক সহায় কৰাৰ মানসিকতা মৃণালিনীৰ মাজেৰে স্পষ্ট ৰূপত প্ৰকাশি উঠিছে, যাৰ বাবে তাই মানৱতাবাদী নাৰী হিচাপে ৰূপায়িত হৈছে।

উপন্যাসত চিত্ৰিত আন এটি মানৱতাবাদী নাৰী চৰিত্ৰ হ'ল শশীপ্ৰভা। অকাল বৈধব্যক সাবটি বৃন্দাবনত ভৰি দিয়া শশীয়ে প্ৰথমাৱস্থাত মানুহৰ নিৰ্মমতাৰ কথা একো বুজি পোৱা নাছিল। সেয়ে যেতিয়া আলমগঢ়ীয়ে চাকিৰ পোহৰত উলঙ্গ কৰি তাইৰ নিষ্পাপ নাৰী দেহা প্ৰত্যক্ষ কৰিছিল, তেতিয়াও শশী নিৰ্বিকাৰ হৈ আছিল। অথচ এই নিৰ্বিকাৰ নাৰীগৰাকীয়ে সৌদামিনীৰ লগত পৰিচয় হোৱাৰ পিছৰে পৰা যেন কিবা এক অবুজ বেদনাত চটফটাই থাকিবলগীয়া হৈছে। তাইযে নিজেই দুৰ্ভগীয়া সেয়া অনুভৱ নকৰি সৌদামিনীৰ কথাহে চিন্তা কৰি সোধে-

“......তুমি সঁচাকৈয়ে কোৱা কিবা সান্ত্বনা পাইছানে এই ব্ৰজধামলৈ আহি.....?”[১৯]

এয়া আনক বুজিবলৈ চেষ্টা কৰা আন এগৰাকী দুৰ্ভগীয়া নাৰীৰ সহানুভূতিসূচক হৃদয়ৰ বতৰা।

---

১৯. *মামণি ৰয়চম গোস্বামী, নীলকণ্ঠী ব্ৰজ, পৃ. ৯৩*

# চতুর্থ অধ্যায়

## ৪.০ 'দতাঁল হাতীৰ উয়েঁ খোৱা হাওদা' উপন্যাসৰ নাৰী চৰিত্ৰ বিশ্লেষণ-

এই উপন্যাসখনত মূখ্য নাৰী চৰিত্ৰ গিৰিবালাকে ধৰি আন বহুতো নাৰী চৰিত্ৰৰ উল্লেখ আছে। তলত এই চৰিত্ৰসমূহৰ আলোচনা আগবঢ়োৱা হ'ল-

ক) গিৰিবালা-

উপন্যাসখনৰ মুখ্য নাৰীচৰিত্ৰ গিৰিবালাক এগৰাকী প্ৰতিবাদী নাৰী ৰূপে অংকন কৰা হৈছে। আমৰাঙা সত্ৰৰ সত্ৰাধিকাৰৰ মৰমৰ জীয়েক আছিল গিৰিবালা। আন দহজনী ছোৱালীৰ দৰে গিৰিবালাৰ শৈশৱো আনন্দ আছিল। সেই সময়ত ছোৱালীবোৰক কম বয়সতে বিয়া দিয়াৰ নিয়ম আছিল। গিৰিবালাকো বঙৰা সত্ৰৰ লাডু গোসাঁইলৈ বিয়া দিয়া হৈছিল। ছোৱালীক সু-পাত্ৰত গতাব পাৰিলে মংগল অন্যথা ছোৱালীজনীৰ জীৱন দুৰ্বিসহ হৈ পৰে। লাডু গোসাঁইৰ স্বভাৱ চৰিত্ৰ ভাল নাছিল, পিতৃমাতৃৰ হেঁচাত গিৰিবালাই এজন চৰিত্ৰহীন লোকক স্বামীবৰণ কৰিব লগা হৈছিল। সকলো নাৰীৰে কল্পনা জগতত মনৰ মানুহজন লুকাই থাকে। তেনেকৈ গিৰিবালাৰো আছিল। কিন্তু বাস্তৱত তাই মনৰ মানুহজনক কোনোদিনেই বিচাৰি নাপালে। লম্পট স্বভাৱৰ স্বামীৰ লগতেই তাইৰ দিন-ৰাতি গতানুগতিক ভাৱে পাৰ হয়। তাইৰ যন্ত্ৰণাক তাইৰ নিজৰ মাজেত লুকাই ৰাখে। ফলত সংগোপনে এক বিদ্ৰোহৰ ভাব তাইৰ মনত বাহ লয়। স্বামীৰ প্ৰতি কোনো ধৰণৰ শ্ৰদ্ধা তাই অনুভৱ নকৰে। কোনো ধৰণৰ আসক্তিৰ অংকুৰণো কাহানিও নহ'ল। হঠাতে জীৱনৰ সংজ্ঞা উপলব্ধি কৰিবলৈ নৌ পাওঁতেই গিৰিবালা বিধৱা হয়। স্বামীৰ অকাল মৃত্যুয়ে তাইৰ জীৱনলৈ আন এক প্ৰত্যাহবান কঢ়িয়াই আনিলে। স্বামীৰ লগত থকা অৱস্থাত তাই সমাজৰ চকুত সুখী আছিল যদিও যন্ত্ৰণাৰে ভাৰাক্ৰান্ত আছিল তাইৰ শৰীৰ আৰু মন। স্বামীৰ মৃত্যুৰ লগে লগে তাই এগৰাকী অভিশপ্ত নাৰীলৈ ৰূপান্তৰিত হ'ল। সমাজৰ দৃষ্টিত তাই বিধৱাৰ নাম পালে। আন দহজনী বিধবা নাৰীৰ দৰে তায়ো আহি পিতৃৰ গৃহত আশ্ৰয় ল'লেহি। ভৰ যৌৱনা জীয়েকৰ ভাগ্যৰ বিড়ম্বনাই মাক গোসাঁনীক গভীৰ শোক দিয়ে, লুকাই চুৰকৈ চকুলো টোকে। জীয়েকৰ দুৰ্দশাই মাতৃ হৃদয়ত হাহাকাৰ জন্মায় অথচ সমাজৰ নীতি নিয়মকো অৱহেলা কৰা নাযায়। সেয়ে জীয়েকক উপদেশ পৰামৰ্শ দি সমাজৰ নীতি-নিয়ম মানি চলিবলৈ বুজনি দিয়ে।

গিৰিবালা ঘৰলৈ অহাৰ বাতৰি পোৱাৰ লগে লগে গাঁৱৰ মানুহে হিলদল ভাগি খবৰ কৰিবলৈ আহিল। সান্ত্বনাৰ ফুলজাৰিয়ে গিৰিবালাক ব্যতিব্যস্ত কৰি তুলিলে। মানুহৰ প্ৰশ্নৰ উত্তৰ বিচাৰি নাপাই তাই আঁতৰি পাকঘৰলৈ সোমাব খোজাত মাছৰ চৰু থকা বুলি পেহীয়েক দুৰ্গাই বাধা দিলে। পাছফালৰ পুখুৰীৰ পাৰলৈকো যাবলৈ তাইক বাধা দিয়া হৈছিল। আগৰ দৰে মুকলিমুৰীয়াকৈ তাই এতিয়া থাকিব নোৱাৰে কাৰণ তাই এতিয়া এজনী বিধৱা। পৰ্বতৰ সমান দিনবোৰ কেনেকৈ কটাব বুলি মন্তব্য কৰা নাৰীসকলে তাইৰ যান্ত্ৰণাক যেন উপহাসহে কৰিছিল। উপায়হীন গিৰিবালাই পৰম্পৰা মানি চলিবলৈ বাধ্য হৈছে যদিও

ভিতৰি ভিতৰি বিদ্ৰোহী হৈ পৰিছিল। দিনবোৰ পাৰ হোৱাৰ লগে লগে গিৰিবালাৰ মানসিক অস্থিৰতা বৃদ্ধি পাবলৈ ধৰিলে। বিয়াৰ পাছতে স্বামীৰ দ্বাৰা লাঞ্ছিতা গিৰিবালাই পেহীয়েক, খুড়ীয়েকহঁতৰ দৰে সমাজে বান্ধি দিয়া নিয়ম মানি চলাব পক্ষপাতী নহয়। সেয়ে সমাজৰ প্ৰচলিত পৰম্পৰাৰ প্ৰতি এক বিদ্ৰোহৰ ভাবে তাইৰ মনত সন্তপৰ্ণে প্ৰৱেশ কৰে। এক অতৃপ্ত ক্ষুধাই তাইক শাৰীৰিক আৰু মানসিকভাৱে জুৰুলা কৰিবলৈ লৈছিল। বুঢ়া গোসাঁইৰ বছৰেকীয়া শ্ৰাদ্ধত মাংস খোৱাৰ লোভ তাই সামৰিব পৰা নাই। ভোজৰ আজ্ঞাৰ গোন্ধই তাক অস্থিৰ কৰি তুলিছে। দেশ কাল পাত্ৰ পাহৰি গিৰিবালাই একান্ত মনে মাংস ভাত খোৱাত লাগিল। এই অপৰাধৰ কাৰণে গিৰিবালাক শাৰীৰিক ভাবে মাক গোসাঁনীয়ে প্ৰহাৰ কৰিলে। পেহীয়েক দুৰ্গাই ভৎসনা কৰে। তাইক পৰাচিতো কৰা হয়। উপায়হীন গিৰিবালাই সমাজৰ বিধি নতশিৰে মানি ল'লে। কিন্তু তাইৰ মনৰ ক্ষোভ আঁতৰ নহ'ল।

এইবাৰ সমাজে বান্ধি দিয়া আন এক নিয়ম তাই ভংগ কৰিলে। ককায়েক ইন্দ্ৰনাথে ধৰ্মপ্ৰচাৰৰ কাৰণে অহা সন্যাসী মাৰ্ক চাহাবক গিৰিবালাৰ লগ চিনাকি কৰাই দিছিল। উদ্দেশ্য তাইৰ মানসিক অস্থিৰতা কিছু লাঘৱ কৰা। লাহে লাহে মাৰ্ক চাহাবৰ ব্যক্তিত্বই তাইক ক্ৰমাৎ আকৰ্ষণ কৰিবলৈ লয়। তেওঁৰ মাজত নিজৰ কল্পনাৰ পুৰুষজনক বিচাৰি পাইছিল। চৰিত্ৰহীন মৃত স্বামীক বুকুত লৈ সন্মুখত পৰি থকা দীঘলীয়া জীৱনটো পাৰ কৰি দিয়াৰ পৰিৱৰ্তে মাৰ্ক চাহাবৰ লগত এক নতুন জীৱন আৰম্ভ কৰাৰ সপোন দেখে গিৰিবালাই। মাৰ্ক চাহাবক পুথি পাঁজি গোটাই দিয়ে, মন খুলি হৃদয়ৰ কথা কয়। মাৰ্কৰো তাইৰ প্ৰতি দয়া হয়। তাইৰ মনৰ দুৰ্বলতাৰ কথা জানিব পাৰি মাৰ্কে তাইক মৰমেৰে সমাজৰ পৰম্পৰা মানি চলিবলৈ পৰামৰ্শ দিছিল। গিৰিবালা অত্যন্ত জেদী মনোভাৱৰ নাৰী আৰু দুৰ্দান্ত সাহসীও আছিল। সেয়ে মাৰ্কৰ আগত মনৰ ক্ষোভ যন্ত্ৰণাক সংকোচহীন ভাবে ব্যক্ত কৰিব পাৰিছিল। তাই নিজৰ স্বামীৰ কথাও ক্ষোভেৰে কয়। যি পুৰুষে নিজৰ স্ত্ৰীক অৱহেলা কৰি পৰস্ত্ৰী গমন কৰে তেনে পুৰুষক তাই ঘিণ কৰে। গতিকে চৰিত্ৰহীন মৃত স্বামীৰ প্ৰতি তাইৰ অন্তৰত কোনো অনুকম্পা নাই। তেনে ব্যক্তিৰ খৰমত গোটেই জীৱন ফুল-তুলসী দি পূজা কৰাৰ পক্ষপাতি তাই নহয়।

ইফালে গিৰিবালাক নিবলৈ শহুৰেকৰ ঘৰৰ পৰা মানুহ অহাৰ উমান পাই তাইৰ অন্তৰে হাহাকাৰ কৰে। তাইৰ কাৰণে শহুৰৰ ঘৰলৈ যোৱা আৰু শ্মশানলৈ যোৱা একেই কথা আছিল। সমাজৰ হেঁচাত একোজনী নাৰীয়ে বিধবা হোৱাৰ কাৰণেই নিজৰ মনৰ আৱেগ আকাংক্ষাক অৱদমন কৰি ৰখাটো নিতান্তই কষ্টকৰ আছিল। ইয়াৰ ফলস্বৰূপে কোনো কোনোৱে মানসিক ভাৰসাম্য হেৰুৱাই দুৰ্বিসহ জীৱন যাপন কৰিছিল অথচ প্ৰতিবাদ কৰাৰ সাহস নকৰিছিল। এইবাৰ গিৰিবালাৰ ধৈৰ্যৰ বান্ধ ছিগি পৰে। যি সমাজে তাইৰ প্ৰতিটো কামতে দোষ দেখে, প্ৰায়শ্চিত্তৰ বিধান দিয়ে সেই সমাজৰ লাঞ্চনা গঞ্জনা সহ্য কৰি তিলতিলকৈ জীয়াই থকাতকৈ মৃত্যুকে তাই শ্ৰেয় জ্ঞান কৰিলে। সেয়ে এইবাৰ প্ৰায়শ্চিত্তৰ

আঁৰ লৈ আত্মহত্যাৰ পথকে বাচি ল'লে, মেষদাহৰ জুইত এজনী কোমল মনৰ বিধৱাৰ জীৱনৰ কৰুণ সমাপ্তি ঘটিল।

খ) দুৰ্গা-

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ আন এক বিধৱা নাৰী চৰিত্ৰ হ'ল দুৰ্গা। এই চৰিত্ৰটি লেখিকাই তেওঁৰ পেহীয়েক নামান বাইক লৈ ৰচনা কৰা। এই সন্দৰ্ভত লেখিকাই এঠাইত এনেদৰে কৈছে---------

"......আমালু বুলি সম্বোধন কৰা আইতাৰ ভনীয়েক এগৰাকীৰ কথা কমলাৰ আত্মজীৱনীত পঢ়ি মই তবধ মানিলো। কাৰণ এই মানুহগৰাকীৰ জীৱন কাহিনী হুবহু মোৰ পেহী নামান বাইৰ সৈতে একে যেন লাগিল। নামান পেহীক লৈ মোৰ উপন্যাস 'উঁয়ে খোৱা হাওদা'ত দুৰ্গা নামৰ প্ৰধান চৰিত্ৰটি আকিছিলোঁ........।"[২০]

আমৰঙা সত্ৰৰ অধিকাৰৰ ভনীয়েক দুৰ্গা চিকাৰহাটীৰ গোসাঁইলৈ বিয়া হৈছিল। সন্তান নোহোৱাকৈয়ে তাই বৈধব্যক আকোঁৱালি ল'ব লগা হয়। স্বামীগৃহত হোৱা তিক্ত অভিজ্ঞতাৰ পাছত ভতিজাক ইন্দ্ৰনাথে দুৰ্গাক আমৰঙালৈ লৈ যায়। দুৰ্গাক আমতিৰ সময়ত লৈ আহিবলৈ মানুহ পঠাব বুলি শহুৰেকে কথা দিলে। কিন্তু বছৰৰ পাছত বছৰ পাৰ হ'ল কিন্তু কৰো সাক্ষাৎ নঘটিল। দুৰ্গায়ো স্বামী গৃহৰ পৰা কোনোবা আহিব বুলি বাট চায়ে ৰৈ থাকিল আৰু আশা নিৰ্বাপিত হোৱা নাছিল। এই বিষয়ে লেখিকাই এনেদৰে কৈছে-----

".....দেওৰহঁতে মক এই নৰকত পৰি থাকিব দিব না। আহিব, নিবা আহিব।......"[২১]

পৰম্পৰাগত সমাজ ব্যৱস্থাক বিনা বিচাৰ যুক্তিৰে, অন্ধভাৱে দুৰ্গাই মানি লৈছে। পিতৃপ্ৰধান সমাজত বিধৱা হোৱাৰ পাছত মৰম-চেনেহ, আদৰ-সন্মানৰ পৰা বঞ্চিত হৈ, স্বাভাৱিক সামাজিক জীৱনৰ পৰা দেহ-মন বিচ্ছিন্ন হৈ একাকীত্বত ভুগিলেও পিতৃগৃহলৈ আহি দুৰ্গাই পৰম নিষ্ঠাৰে বৈধব্যৰ ব্ৰত পালন কৰিছে। তাই পুৰণিকলীয়া ৰীতি-নীতিত বিশ্বাসী তথা ধৰ্মভীৰু মানুহ। সেয়েহে তাই সমাজৰ ভণ্ড নীতি নিয়মবোৰ আখৰে আখৰে পালন কৰিছিল। বিধৱা হোৱাৰ পাছত তাইক সমাজে কোনো মাংগলিক কামত ভাগ লবলৈ দিয়া নাছিল। তায়ো সেই সমাজৰ লাঠি গোৰ খাই তাৰ সোৱাদ পোৱা বিধৰে হৈ পৰিছিল। সমাজৰ মতেই তাইৰ জীৱন পৰিচালিত হ'ল। পুৱা-গধূলি মৃত স্বামীৰ খৰমত ফুল দিছিল, খোৱা বোৱাৰ, পিন্ধা উৰাৰ সকলো নীতি নিয়ম এফালৰ পৰা মূৰৰ চুলি এডালো লৰচৰ নোহোৱাকৈ পালন কৰি গৈছিল। তাইৰ ইচ্ছা আছিল কাশীৰ পাণ্ডাসকলৰ লগত গৈ তীৰ্থ কৰি মৃত স্বামীৰ অস্থি বিৰ্সজন দিয়াৰ। কিন্তু হাতত ফুটা কড়ি এটাও নথকাত যাই বৌৱেক গোসানীৰ লগত কাজিয়াত লিপ্ত হয়। স্বামীৰ ভাগৰ সম্পত্তিও তাইক কোনেও দিয়া নাছিল। সকলোৰে তাইৰ অধিকাৰৰ বাবে মাত মাতি কাছাৰীত গৈ স্বামীগৃহৰ বিৰুদ্ধে কেচ দি নিজৰ

*২০. মামণি ৰয়চম গোস্বামী, আধালেখা দস্তাবেজ,পৃ. ১০৩*

*২১. মামণি ৰয়চম গোস্বামী, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা ,পৃ. ১৩*

অধিকাৰ লোৱাৰ দিহা দিলে। কিন্তু সেইয়া কৰা তাইৰ বাবে মহাপাপ। দুৰ্গাৰ আশা কোনো দিনেই পুৰণ হোৱা নাছিল। শৰীৰ শুকাই একেবাৰে প্ৰতনীৰ দৰে হৈ পৰিছিল। দুৰ্গায়ে কেৱল নিজেই সেই আতি গুৰি নথকা নিয়মবোৰ পালন কৰা নাই আনকি তাই গিৰিৱালাকো সেই নিয়মবোৰ পালন কৰিবলৈ বাধ্য কৰোৱাইছিল। পদে পদে তাই নিজৰ আতিগুৰি নথকা নিয়মবোৰ পালন কৰোঁতেই ব্যস্ত আছিল। এবাৰ মাৰ্ক চাহাবৰ ছাঁটো তাই স্পৰ্শ কৰাত গা তিয়াঁই পৰাচিত হৈছিল। লেখিকাৰ ভাষাৰে-----

"......চকিত বহা চাহাবৰ ছাঁটোৱে খুঁটা এটাৰ ওচৰত থিয় হৈ থকা দুৰ্গাক স্পৰ্শ কৰিলে, সাপ গচকি চঁক খোৱা মানুহৰ দৰে দুৰ্গাই লৰি গৈ আকৌ এবাৰ নাদৰ পাৰত উপস্থিত হ'ল। গা-মূৰ তিয়াই এতিয়াই তেওঁ এই খ্ৰীষ্টিয়ানটিৰ ছাঁ স্পৰ্শৰ পৰা মুক্তি পাব লাগিব।........"[২২]

স্বামীৰ ঘৰখন নাৰীৰ বাবে স্বৰ্গৰ সদৃশ। স্বামীগৃহত দেহ ত্যাগ কৰিব পৰাটো নাৰীৰ বাবে ভাগ্যৰ কথা। তাহানিৰ চোৰাংচোৱা বুলি জনাজাত তাংখু খোৱাৰ লগৰী শুইমেন্নীয়ে দুৰ্গাক লাজ-মান কাটি কৰি নিজেই স্বামীৰ গৃহলৈ যাবলৈ পৰামৰ্শ দিছে। চুবুৰীয়া বুঢ়ী এগৰাকীয়েও তাইক পৰামৰ্শ দিছে এই বুলি যে, স্বামীৰ সম্পত্তিৰ ভাগ পাবলৈ হ'লে স্বামী গৃহলৈ যাবই লাগিব। তিৰোতাজাকৰ পৰা উকীল ধৰি নিজৰ সম্পত্তিৰ ব্যৱস্থা কৰিবলৈ মন্তব্য দিয়াত তাই আৰ্তনাদ কৰি সিহঁত আহিব বুলি নিচিন্ত হৈ পৰম আশাৰে দিন অতিবাহিত কৰিছে। শেষ পৰ্যন্ত কোনো নহাত উপায়ন্তৰ হৈ স্বৰ্গপুৰী স্বামীগৃহলৈ অকলেই দুৰ্গাই যাত্ৰা কৰিলে। চৰিত্ৰটোৰ মাজেৰে পতিব্ৰতা নাৰীৰ দিশটো প্ৰকাশ পাইছে। নিজৰ স্বামীৰ অস্থি কাশুৰ ধামত নিবৰ বাবে তাই নিজৰ শেষ সম্পদ টিনৰ বাকচটোত থকা সোণৰ চন্দ্ৰহাৰ, এযোৰ ফুটি আৰু চাৰি ভৰি ওজনৰ এটা ডুগডুগী সৰু গোসানীৰ ওচৰত নিৰাপদে লুকুৱাই ৰাখিছিল। কিন্তু সৰু-গোসানীৰ ওচৰৰ পৰা বস্তুবোৰ হৰলুকী হোৱাত তাই স্বামীৰ অস্থি বিষৰ্জন দিয়াৰ আশাত চেচাঁপানী পৰিল আৰু তাই কাঠ হৈ পৰিছিল। তাইৰ দুখত সমভাগী হৈ গিৰিৱালাই যেতিয়া নিজৰ গহনাখিনি দিব বিচাৰিছিল তেতিয়া দুৰ্গাই তাইৰ গহনা নিয়া পাপ বুলি গিৰিবালাক ইতিকিং কৰিলে। ইয়াৰ জৰিয়তে দুৰ্গাৰ মনত গিৰিৱালাৰ প্ৰতি থকা ঘৃণা ভাৱৰ উমান পোৱা যায়। তাই নিজস্ব সত্তাক পাহৰি মাত্ৰ নীতি নিয়মবোৰকে আওৰাই থাকিব বিচাৰিছিল। সেয়েহে ভাটৌৱে আওৰোৱা দৰে সদায়ে একেসোপা নীতি নিয়মকে পালন কৰি তাই যন্ত্ৰলৈ ৰূপান্তৰিত হৈছিল। ভাটৌৰ দৰে তাই তাকে কৰিছিল যি সমাজে বিধান দিছিল। এসময়ত তাইক শহুৰৰ ঘৰৰ পৰা কোনোবাই নিবলৈ আহিব বুলি তাই ভাগৰি পৰি নিজেই স্বামী গৃহলৈ যোৱাৰ বাবে সাজু হ'ল। সময়ত সকলো অহংকাৰ, ইৰ্ষা, অসূয়া ত্যাগ কৰি তাই স্বামী মৰাৰ পূণ্য ল'বলৈ স্বামীৰ গৃহলৈ প্ৰত্যাৱৰ্তন কৰিছে।

---

*২২. মামণি ৰয়চম গোস্বামী, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা ,পৃ. ৯৭*

কৰা চৰিত্ৰ হ’ল দুৰ্গা। সত্ৰীয়া সমাজত বসবাস কৰোঁতে নামান বাইৰ জীৱন নিৰ্বাহৰ যি কৰ্দয ৰূপ সেই বাস্তৱভিত্তিৰ আধাৰিত দিশবোৰ কাল্পনিক চৰিত্ৰ দুৰ্গা চৰিত্ৰটোত আৰোপ কৰিছে। নামান বাইৰ চৰিত্ৰটোৰ ক্ষেত্ৰত যি ঔপন্যাসিকাই প্ৰত্যক্ষ কৰিছে তাকে দুৰ্গা চৰিত্ৰটোৰ ওপৰত তাৰ স্বৰূপ অতি সুন্দৰভাৱে প্ৰকাশ কৰিছে। যিবোৰ দিশ দুৰ্গা চৰিত্ৰটো বিশ্লেষণ কৰিলে দেখা যায়। দুৰ্গা এজনী ধৰ্মভীৰু, স্বামী পৰায়ণা অন্ধবিশ্বাসী দুৰ্বল মানসিকতাৰ নাৰী। তাই ডিঙিত ৰচি লগাই গৰাকীৰ নিয়ম নীতিবোৰ পালন কৰাতেই শান্তি পাইছে। সেই শিকলি চিঙি প্ৰতিবাদ কৰাৰ মানসিকতা তাইৰ নাছিল।

গ) সৰু গোসানী-

'দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ আন এটি বিধৱা নাৰী চৰিত্ৰ হৈছে সৰু গোসানী। এই সৰু গোসানীও গিৰিবালাৰ দৰে বিদ্ৰোহী আৰু সাহসী আছিল। তেওঁ নিজকে বিদ্ৰোহ কৰ্মৰ দ্বাৰা প্ৰতিপন্ন কৰিছে। এই সাহসী সৰু গোসানীগৰাকীৰ চৰিত্ৰও লেখিকাই বাস্তৱ জীৱনৰ পৰা তুলি লৈছে। চৰিত্ৰটিৰ সৃষ্টিত ঔপন্যাসিকাই এনেদৰে কৈছে---

“.....তেতিয়া সত্ৰত এগৰাকী গোসানী আছিল, তেওঁক মই 'আবু' বুলি মাতিছিলো। তেওঁ মোৰ দেউতাৰ সম্পৰ্কীয় বৌৱেক আছিল। গোসাঁনীয়ে স্বামীৰ মৃত্যুৰ পাছত আচৰিতভাৱে এক সম্পূৰ্ণ অকলশৰীয়া জীৱন কটাইছিল। অৱশ্যে তেওঁৰ নিজা শিষ্য আছিল।.........”[২৩]

ঔপন্যাসিকাই এই চৰিত্ৰটোও বাস্তৱৰ পৰাই গ্ৰহণ কৰা। তেওঁ উল্লেখ কৰিছে যে সত্ৰত সেই সময়ত এগৰাকী গোসানী আছিল যি গৰাকী তেওঁত দেউতাকৰ সম্পৰ্কীয় বৌৱেক আৰু তেওঁক আবু বুলি মাতিছিল। সেই সময়ত সত্ৰত থকা গোসানী আবুৰ আধাৰতেই সৰু গোসানী চৰিত্ৰটো সজোৱা হৈছে। আবু নামৰ গোসানীৰ ক্ষেত্ৰত সত্ৰত থাকোঁতে যিবোৰ ঘটনা ঘটিছিল তাকেই তেওঁ সৰু গোসানী নামৰ উপন্যাসৰ চৰিত্ৰটোৰ মাজেদি দিশবোৰ প্ৰকাশ কৰিছে। সৰু গোসানীয়ে সকলোবোৰ সম্পত্তি চোৱা মেলা কৰিছিল যদিও তেওঁ দূৰণিৰ মাটি বাৰীবোৰ তদাৰক কৰিবলৈ হেৰামদৰ মহীধৰ বাপুক নিজৰ সঙ্গী কৰি লৈছিল। এজন পুৰুষক এনেদৰে একোটা ঘৰৰ ভিতৰত থোৱাৰ বাবে বহুতেই সৰু গোসানী আৰু মহীধৰ বাপুক লৈ অনেক কথা কৈছিল। কিন্তু সৰু গোসানীয়ে সেইবোৰলৈ কোনো কাণ নিদিয়ে। এয়া তেওঁৰ সাহস। ইন্দ্ৰনাথেও এই সৰু গোসানীৰ সাহসক সন্মান কৰিছিল। সেয়েহে এবাৰ পেহীয়েক দূৰ্গাক সৰু গোসানীৰ দৰে হ’বলৈ উৎসাহ দিয়া দেখা গৈছে। সৰু গোসানীৰ নিঃসংগ জীৱনত সংগী হিচাপে দেখা দিছে মহীধৰ বাপুৱে। তেওঁ মহীধৰ বাপুৰ সান্নিধ্য পাবলৈ ব্যাকুল হৈ পৰিছিল। কম বয়সতে বিধৱা হোৱা সৌন্দৰ্যৱতী সৰু গোসখনীয়ে স্বাভাৱিকতেই সুস্বাস্থ্যৰ অধিকাৰী মহীধৰ বাপুৰ প্ৰতি কিবা এক আকৰ্ষণ অনুভৱ কৰিছিল। সৌন্দৰ্য্যৰ লগতে সৰু গোঁসানীৰ মনঃস্তত্বৰ বৰ্ণনাও লেখিকাই সুন্দৰৰূপত

*২৩. হেমন্ত কুমাৰ ভৰালী, স্বপ্নঃ দুঃস্বপ্নৰ ডায়েৰী,পৃ, ৪৬৪*

দিছে। সত্ৰৰ ৰক্ষণশীল পৰিৱেশে সৰু গোঁসানীৰ প্ৰম আকলুৱা মনটোক শাসন কৰিব পৰা নাছিল। তেওঁৰ অন্তৰ আত্মাত মহীধৰ বাপুৱেহে স্থান পালে। সৰু গোসানী মহীধৰ বাপুৰ প্ৰেমত একপ্ৰকাৰ মতলীয়া হৈ পৰিছে। সেয়েহে এবাৰ মহীধৰ বাপু বৰিহাটৰ পিনে যাওঁতে হাতীৰ আক্ৰমণৰ কথা ভাবি তেওঁৰ মন সন্ধিহান হৈ পৰিলে। সেয়েহে ডবাপিতা বৰষুণকো নেওচি তেওঁ মহীধৰ বাপুক বিচাৰি গৈছে আৰু একেবাৰে বৰষুণত তিতি জুৰুৰি- জুপুৰি হৈ পৰিছিল। ‘দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা’ উপন্যাসখনত সৰু গোঁসানীৰ চৰিত্ৰৰ অন্তৰ্দ্বন্দ মনকৰিবলগীয়া। দুৰ্গাই সৰু গোসানীক সন্মান কৰিছিল আৰু বিশ্বাসো কৰিছিল। সৰু গোসানীয়ে সকলোকে সৎ আৰু প্ৰকৃত পথৰ পৰিচয় কৰাই দিছিল। দূৰ্গা, গিৰিবালা সকলোৰে প্ৰতি তেওঁৰ সমবেদনা আছিল। কাৰো প্ৰতি খাম-খেয়ালিৰ ভাব নাছিল। দূৰ্গাই নিজৰ টিনৰ বাকচটো থোৱাৰ সময়ত তেওঁ থেৰো গেৰোঁ কৰিছিল। মহীধৰ বাপুক সুধি মেলি তেওঁ সকলো কাম কৰিছিল। অত্যন্ত বিশ্বাস কৰিছিল তেওঁ মহীধৰ বাপুক। দূৰ্গাৰ পেৰাটোৰ পৰা মূল্যবান সামগ্ৰী চুৰি হোৱাত সকলোৱে মহীধৰ বাপুৰ কথা কৈছিল যদিও সৰু গোসানীয়ে মহীধৰ নিৰ্দোষিত কৰিছিল। সৰু গোসানীয়ে ধৰিব পৰা নাছিল যে মহীধৰ বাপুৱেই এই কাৰ্যৰ লগত জড়িত। ফলত মহীধৰ বাপুৰ বিশ্বাঘাতকৰ ছবি তেওঁ নিজেই শেষত বিশ্বাস কৰিব পৰা নাছিল। তেওঁক প্ৰতাৰণা কৰাৰ লগতে দুৰ্গাৰ সা-সামগ্ৰীবোৰো মহীধৰ বাপুৰ মোনাত পোৱা গৈছিল। যিটো মানুহক তেওঁ প্ৰাণতকৈ ভাল পাইছিল, যাৰ বাবে তেওঁ সকলো ত্যাগ কৰিবলৈ সাজু আছিল আৰু তেওঁৰ এনে কাৰ্যৰ ৰূপ দেখি তেওঁ মূৰ্ছিত হৈ পৰিছিল। ধৰ্ম, ত্যাগ আৰু প্ৰেমৰ এনে কৰুণ পৰিণতিত গোঁসানীৰ মানসিক অৱস্থাৰ চিত্ৰণ লেখিকাই ব্যঞ্জনাত্মক ভাষাৰে দিছে এনেদৰে-------

“*.......*সৰু গোঁসানীৰ গাৰ ছালখন কোনোবাই যেন বখলিয়াবলৈ ধৰিলে।*........*”[২৪]

সৰু গোসানী এগৰাকী মৰমীয়াল আৰু ন্যায়পৰায়ণ নাৰী আছিল। সেই সময়ত সত্ৰত পুৰুষবোৰে নাৰীবোৰক খেলাৰ সামগ্ৰী কৰি লৈছিল। আগদুৱাৰেদি যদি এজনী পাছ দুৱাৰেদি আকৌ এজনী আনিছিল। এবাৰ ভিখৰু গোসাঁইৰ মাউতৰ ঘৈণীয়েকে বুকুৰ গাখীৰ খাই থকা কেচুঁৱাটো লৈ গোসানীৰ ভৰিত উবুৰি খাই ন্যায়ৰ ভিক্ষা মাগিছিল। বেলেগ এজনী আকৌ ধাৰীয়ে তাইৰ জীৱন ধ্বংস কৰিবলৈ আহিছিল। গোসানীৰ বাবে গোসাঁইৰ কছাৰী মাউত উদ্ধাৰ হৈছিল। সৰু গোসানী আছিল সকলোৰে দুখত সমভাগী হোৱা এগৰাকী নাৰী। তেওঁৰ মনত মৃত স্বামীৰ প্ৰতি অত্যন্ত শ্ৰদ্ধা আৰু ভক্তি আছিল। তেওঁ মহীধৰৰ প্ৰতি আকৰ্ষিত হৈছিল ঠিকেই কিন্তু তেওঁ নিজৰ অস্তিত্বক বিসৰ্জন দিয়া নাছিল। তেওঁ এগৰাকী সাহসী আৰু চৰিত্ৰবান নাৰী আছিল। সৰু গোসানীৰ চৰিত্ৰটো বিশ্লেষণ কৰিলে দেখা যায় যে সৰু গোসানী এগৰাকী সাহসী, ধৈৰ্যশীল, পতি পৰায়ণ, মৰমীয়াল, ন্যায়পৰায়ণা, সংযমী আৰু দৃঢ়মনা নাৰী। কিন্তু মহীধৰৰ প্ৰেমত পৰি তেঁও অযোগ্য জনক নিজৰ সংগী কৰি

*২৪. মামণি ৰয়চম গোস্বামী, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা ,পৃ. ১৫৮*

লৈছিল। মহীধৰ তেওঁৰ লগত থকা বাবে অনেকেই তেওঁক বহু কথা কৈছিল যদিও নিজৰ সততাত অলৰ অচৰ। কোনো পৰিস্থিতিৰ দ্বাসত্ব স্বীকাৰ কৰি লোৱা নাছিল। সৰু গোসানী চৰিত্ৰটো মুঠৰ ওপৰত সাহস আৰু সততা নাৰীৰ প্ৰতীক।

ঘ) ইলিমন-

'দঁতাল হাতাৰ উঁয়ে খোৱা হাওদা' উপন্যাসত বেছি কথা নোকোৱাকৈ আকৰ্ষণীয় হৈ পৰা আন এটি নাৰী চৰিত্ৰ হৈছে ইলিমন। মাতৃহাৰা হোৱা ইলিমন ৰাজা পুখুৰীৰ গোঁসাই ধুওৱা বামুন যশ ভাগৰতীৰ ছোৱালী আছিল। সৰুতেই তাইৰ মাক মৃত্যু হোৱাৰ পাছত তাই পিতৃ আৰু মাকৰ লগত অহা যতৰ কটা বুঢ়ী নামৰ তিৰোতা এজনীৰ লগতে ডাঙৰ দীঘল হয়। ইলিমন আছিল অপূৰ্ব সুন্দৰী। গাভৰু ইলিমন এদিন যতৰ কটা বুঢ়ীৰ লগত আমৰাঙ্গাত থকা জোকৰাম ভাগৰতীৰ ঘৰত আহি উপস্থিত হয়। তেতিয়া ইলিমনৰ জীৱনলৈ আহিছিল এক ভয়াবহ অৱস্থা অৰ্থাৎ পুষ্পিতা হোৱাৰ সময় আৰু এদিন তাতেই তাই পুষ্পিতা হয়। এদিন জগলীয়া নদীৰ পাৰত ইলিমন আৰু আমৰাঙ্গা সত্ৰৰ ভাবী সত্ৰাধিকাৰ ইন্দ্ৰনাথৰ সাক্ষাৎ হয়। ইলিমনৰ ভৰিৰ কলাফুল দেখি ইন্দ্ৰনাথৰ হৃদয় ক'ব নোৱাৰাকৈয়ে অনুৰাগেৰে ৰঞ্জিত হৈ উঠে---

"......গাধৰ ছালৰ দৰে বগা গধূলিৰ পোহৰে ছানি ধৰা জগলীয়াৰ বুকুত দেখা কলাফুলৰ ছবি ইন্দ্ৰনাথে অনেক দিনলৈ পাহৰিব পৰা নাছিল......"[২৫]

সেই প্ৰথম দেখাৰ পৰাই ইন্দ্ৰনাথৰ হৃদয়ত প্ৰেমত প্ৰবাহিত হৈছিল। ইলিমনৰ কলাফুলৰ সৌন্দৰ্যই ইন্দ্ৰনাথক বাৰে বাৰে আমনি কৰা হ'ল। এদিন ইন্দ্ৰনাথে জানিব পাৰিলে যে ইলিমন ৰাজাপুখুৰীৰ বামুণৰ ছোৱালী বুলি। সেই কথাই ইন্দ্ৰনাথৰ মনৰ মাজত এছটা হতাশাৰ কলা ডাৱৰে যেন জোঁৱাৰ তুলি দিলে। ইতিমধ্যে যতৰ কটা বুঢ়ীৰ পৰা ইলিমনৰ মনৰ বতৰাৰো সম্ভেদ পাইছিল। অকল সেয়াই নহয় বুঢ়ীৰ বিয়াৰ প্ৰস্তাৱ শুনি ইন্দ্ৰনাথে সেই প্ৰস্তাৱক ভাবি চাম বুলি কথাও দিছে। সেই কথা শুনি ইলিমনৰ মনত আশাৰ ৰেঙনি বিৰিঙি উঠিল। ইলিমনে প্ৰতিমুহূৰ্ততে ইন্দ্ৰনাথৰ কথা ভাবি থকা হ'ল। তাই যেন এগৰাকী প্ৰেমিকা হৈ উঠিল। জটিলতা বুজি নোপোৱা ইলিমনে ইন্দ্ৰনাথক স্বামী বুলিয়ে ভবা হ'ল। কিন্তু যিহেতু তাই বামুণৰ ছোৱালী আৰু ইন্দ্ৰনাথ গোঁসাইৰ ল'ৰা গতিকে সিঁহতৰ জানো বিয়া হ'ব এই চিন্তাই তাইক মাজে মাজে চিন্তিত কৰিও তুলিলে।

ইলিমনৰ সৌন্দৰ্যই ইন্দ্ৰনাথৰ মনৰ মাজত প্ৰবল আকৰ্ষণৰ সৃষ্টি কৰাত তাইয়ে হৃদয়ৰ ৰাণী হৈ তাৰ জীৱনলৈ আহিব সেয়াও ইন্দ্ৰনাথৰ ভাব হৈছে। অকল এয়াই নহয় সপোনতো ইন্দ্ৰনাথে ইলিমনক দেখা হ'ল। কৰবালৈ যোৱা ইন্দ্ৰনাথে অৰ্ন্তদৃষ্টিৰে জোকৰামৰ মাটি খহি যোৱা বেৰৰ ফাকেৰে ইলিমনক দেখা যেন ভাৱে।

---

*২৫. ৰয়চম গোস্বামী, দঁতাল হাতাৰ উঁয়ে খোৱা হাওদা, পৃ. ১৬৪*

এনে আকৰ্ষণৰ বাবেই ইলিমনক বিয়া কৰাবলৈ মন কৰা কোচবিহাৰৰ বামুণক ইন্দ্ৰনাথে কানিৰ কেচত পেলাই জেললৈ পঠাইছিল। ইলিমনক দেখা পোৱাৰ আগ্ৰহ ইন্দ্ৰনাথৰ যেন দিনে দিনে বাঢ়ি গৈছে। তিনিআলিত বলো মহাজনৰ তাচৰ আড্ডালৈ যোৱা ইন্দ্ৰনাথে ভাগৱতীৰ ইকৰাৰে বেৰ দিয়া ঘৰলৈ ভুমুকি মাৰি চাকিৰ পোহৰত ইলিমনক চোৱাৰ উদগ্ৰ হেপাহ কৰে। ইলিমনেও ইন্দ্ৰনাথক চোৱাৰ প্ৰবল হেপাহ কৰে। ভাগৱতীৰ ঘৰৰ বাৰীৰ পৰা অধিকাৰৰ ঘৰৰ বাৰান্দালৈ তাই বিহঙ্গম দৃষ্টিৰে ডিঙি মেলি মেলি চাই থাকে কেতিয়া ইন্দ্ৰনাথ বাৰান্দালৈ ওলাই আহে বুলি। ইলিমন যেন উৎকণ্ঠিত নায়িকাৰ পৰ্যায়লৈ উৰ্ত্তীন হ'ল আৰু এনেবোৰ কল্পনা আৰু আগ্ৰহে ইলিমনক এগৰাকী প্ৰেমিকা কৰি তুলিলে। অৱশেষত প্ৰবল আশাবাদী ইলিমনৰ মনৰ ইচ্ছা মনতেই মাৰ গ'ল। ইন্দ্ৰনাথক এদিন মাৰাভিঠাৰ মানুহে কোবাই মাৰিলে। ইন্দ্ৰনাথৰ মৃত্যুৰ লগে লগে এহাল প্ৰেমিক-প্ৰেমিকাৰ মনৰ অদম্য হেপাহৰো মৃত্যু হ'ল। তাৰ পিছত ইলিমন কলৈ গ'ল, কি হ'ল সেয়া ঔপন্যাসিকাই উল্লেখ কৰা নাই। উপন্যাসত ইলিমন আৰু ইন্দ্ৰনাথৰ মাজেৰে এটা সুন্দৰ প্ৰেমৰ কাহিনী ঔপন্যাসিকাই চিত্ৰিত কৰিছে আৰু ইলিমন যে এগৰাকী শুদ্ধ প্ৰেমিকা সেয়াও উল্লেখ কৰিছে।

ঙ) যতৰ কটা বুঢ়ী-

'দঁতাল হতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ আন এটি আকৰ্ষণীয় গৌণ নাৰী চৰিত্ৰ হৈছে যতৰ কটা বুঢ়ী। বুঢ়ীৰ নিৰ্দিষ্ট নাম আছিল যদিও উপন্যাসখনত যতৰ কটা বুঢ়ী বুলিয়েই ঔপন্যাসিকাই উল্লেখ কৰিছে। এই যতৰ কটা বুঢ়ী এদিন ৰাজাপুখুৰীৰ গোঁসাই ধুওৱা বামুণ যশ ভাগৱতীৰ পত্নীৰ লগত ৰাজাপুখুৰীলৈ আহিছিল। ইলিমনৰ জন্মৰ সময়ত ভাগৱতীৰ পত্নীৰ মৃত্যু হোৱাত ইলিমনক ডাঙৰ-দীঘল কৰাৰ দায়িত্ব লয়। বুঢ়ীয়েও নিজৰ ছোৱালীৰ দৰেই ইলিমনক চোৱা-চিতা কৰি গাভৰু কৰি তুলিছিল। গাভৰু ইলিমনৰ বাবে বুঢ়ী চিন্তান্বিত হৈ পৰিল। যদি বিয়াৰ আগতে তাই পুষ্পিতা হয় তেনে তাইক কোনোদিনেই বিয়া দিব নোৱাৰিব। ইফালে কোচবিহাৰৰ বামুণেতাইক বিয়া কৰাব বুলি জানি বুঢ়ী চিন্তিত হ'ল কাৰণ বুঢ়ীয়ে জানিছিল সেই বামুণৰ চৰিত্ৰৰ কথা। এফালে পুষ্পিতা হোৱাৰ ভয় আনফালে কোচবিহাৰৰ বামুণৰ পৰা আঁতৰত ৰাখিব লাগে, এনে চিন্তাৰে বুঢ়ীয়ে অৱশেষত ইলিমনক আমৰাঙ্গাৰ জোকৰাম ভাগৱতীৰ ঘৰলৈ লৈ গ'ল। ইলিমনৰ সুখৰ প্ৰতি সততে সজাগ বুঢ়ীয়ে এদিন সত্ৰৰ ভাবি সত্ৰাধিকাৰ ইন্দ্ৰনাথক ৰাতি দূপৰত জগলীয়াৰ দলঙৰ কাষত লগ ধৰি মনৰ সমস্ত কথা বিৰৰি ক'লে আৰু ইলিমনৰ বিয়া কৰাব লাগে বুলি আকুলভাৱে অনুৰোধ কৰে। কোচবিহাৰৰ বামুণৰ হেপাহৰ কথাও ইন্দ্ৰনাথক কৈ বুঢ়ীয়ে ইন্দ্ৰনাথৰ মনত এটা জেদ ভাৱ বঢ়াই তুলিছে। ইন্দ্ৰনাথে বুঢ়ীৰ কথাত একপ্ৰকাৰ বিব্ৰত

---

*২৬. উক্ত গ্ৰন্থ. পৃ. ৪২*

হৈছিল। বুঢ়ীৰ কথাত ইন্দ্ৰনাথৰ দৰে ভাবী সত্ৰাধিকাৰজনো সৈমান হোৱাত বুঢ়ীগৰাকী যেন বশীকৰণ কৌশলীবিদ্যাত পাৰ্গত আছিল সেয়া ধাৰণা কৰিব পাৰি। কাৰণ বংশৰ নাম মৰ্যদাৰ ৰক্ষাৰ ভাৰ যি জন ইন্দ্ৰনাথৰ ওপৰত ন্যস্ত হৈছিল সেই ইন্দ্ৰনাথে বুঢ়ীৰ কথাত খং বা বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। ইলিমনৰ প্ৰতি দায়িত্ব, মৰম-চেনেহ ইমান বেছি আছিল যাৰ ফলত এজন ভাল পুৰুষৰ ওচৰত তাইক গটাব পাৰিলে বুঢ়ী যেন সাৰ্থক হ'ব।

যতৰ কটা বুঢ়ী আছিল অতি স্পষ্টবাদী। ইলিমনৰ পুষ্পিতা হোৱা কথা, তাইক বিয়া কৰাব লাগে বুলি ইন্দ্ৰনাথক কোৱা কথা যেনে স্পষ্ট আছিল, তেনেকৈ কোচবিহাৰৰ বামুনে বিয়া কৰাব ওলোৱা কথাৰ প্ৰতিবাদো জোকৰাম ভাগৰতীৰ লগত কৰিছিল। গতিকে এই বুঢ়ীগৰাকী যশ ভাগৰতীৰ, ইলিমনৰ হিত চিন্তক আছিল। মাক নোহোৱা ইলিমনৰ সুখ হওক বুলি বুঢ়ীয়ে যি ধৰণে পদক্ষেপ দিছে তাৰ পৰা এইটোৱে বোধগম্য হয় যে এই নাৰীগৰাকী আছিল একাধাৰে কৰ্তব্য পৰায়ণ আৰু সহানুভূতিশীল। পিছে দাতাই দিলেও বিধাতাই নিদিয়াৰ দৰে বুঢ়ীৰ আপ্ৰাণ চেষ্টা বালিৰ বান্ধৰ দৰে খহি পৰিল অৰ্থাৎ ইন্দ্ৰনাথৰ আকস্মিক মৃত্যুৱে সকলো আশা চুড়মাৰ কৰি দিছে। তাৰ পিছত ইলিমনক লৈ যতৰ কটা বুঢ়ী ক'লৈ গ'ল সেই কথা ঔপনাসিকাই উল্লেখ নকৰিলে।

**৪.১ বিধৱা নাৰী-**

ক) গিৰিবালা- 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰখনৰ মূখ্য নাৰী চৰিত্ৰ হৈছে গিৰিবালা নামৰ এগৰাকী প্ৰতিবাদী নাৰী। আমৰঙা সত্ৰৰ সত্ৰাধিকাৰীৰ মৰমৰ জীয়েক আছিল গিৰাবালা। সেই সময়ত ছোৱালীবোৰক কম বয়সতে বিয়া দিয়াৰ নিয়ম আছিল সেয়ে গিৰিবালাকো বঙৰা সত্ৰৰ লাডু গোসাঁইলৈ বিয়া দিয়া হৈছিল। কিন্তু হঠাতে জীৱনৰ সংজ্ঞা উপলব্ধি নৌ পাওঁতেই গিৰিবালাই বিধৱা হয়।

খ) দুৰ্গা- 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ আন এক গৌণ বিধৱা নাৰী চৰিত্ৰ হ'ল দুৰ্গা। এই চৰিত্ৰটি লেখিকাই তেওঁৰ পেহীয়েক নামান বাইক লৈ ৰচনা কৰিছিল। আমৰঙা সত্ৰৰ অধিকাৰৰ ভনীয়েক দুৰ্গা চিকাৰহাটীৰ গোসাঁইলৈ বিয়া হৈছিল। কিন্তু সন্তান নোহোৱাকৈয়ে তাই বৈধব্যক আকোঁৱালি ল'বলগীয়া হয়।

গ) সৰু গোসানী- 'দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ আন এটি বিধৱা নাৰী চৰিত্ৰ হৈছে সৰু গোসানী। এই সৰু গোসানীও গিৰিৱালাৰ দৰে এগৰাকী বিদ্ৰোহী আৰু সাহসী নাৰী আছিল।

**৪.২ নাৰীৰ সামাজিক স্থিতি-**

'দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত কাহিনীৰ মাজেৰে সমাজত পৰম্পৰাগতভাৱে চলি অহা অন্ধবিশ্বাস, কু-সংস্কাৰ তথা ধৰ্মীয় গোড়ামিৰ বিৰুদ্ধে এক

প্ৰতিবাদী আৰু সামন্তবাদী ধ্যান-ধাৰণাৰ অৱসান ঘটাই এখন নতুন সমাজ গঢ়াৰ প্ৰয়াস প্ৰতিফলিত হৈছে। পৰম্পৰাগত সংস্কাৰ, ধৰ্মীয় গোড়ামী আৰু অন্ধবিশ্বাসৰ হাতোৰাত বন্দী, জীৱনৰ নুন্যতম অধিকাৰকাৰৰ পৰা বঞ্চিত উচ্চ হিন্দু সমাজৰ স্বামীহীনা নাৰীসকলৰ দুঃসাহ জীৱনগাঁথাৰ লগতে তেওঁলোকৰ অৱদমিত কামনা-বাসনা, ক্ৰোধ আৰু নীৰব প্ৰতিবাদৰ কৰুণ-কাতৰ ছবিখন লেখিকাই অতি সহৃদয়তাৰে জীৱন্তৰূপত অঙ্কন কৰিছে। বিধৱা হোৱাৰ পিছত নাৰীসকলৰ প্ৰতি নিৰ্দেশিত সমাজৰ নিময়-কানুনৰ বাবেহে গিৰিবালা, সৰু গোঁসানী আৰু দুৰ্গাই পৰিয়ালৰ নিঃসঙ্গতা অনুভৱ কৰিছিল। গিৰিবালা প্ৰথম যিদিনা বিধৱাৰ সাজ পিন্ধি পিতৃ গৃহলৈ আহে, তেতিয়াই তেওঁ প্ৰচলিত সমাজৰ বহুতো নিয়মৰ সৈতে মুখামুখী হ'বলগীয়া হৈছিল। কিন্তু পূৰ্বেই বিধৱা হৈ পিতৃ গৃহলৈ অহা দুৰ্গাই চিঞৰি চিঞৰি কয়--------

"......নুচুবি! নুচুবি! এইমাত্ৰ বাৰী হোৱা তিৰী ঐ শিৰত সেন্দুৰ পিন্ধা তিৰীহঁত।......"[২৭]

সেন্দুৰ প্ৰসঙ্গটোৱে বিধৱা নাৰীৰ এটা সুকীয়া ৰূপৰ পৰিচয় দিয়ে। বিধৱা নাৰীয়ে শিৰত সেন্দুৰ ল'ব নাপায়। গতিকে সেন্দুৰ লোৱা তিৰোতাই বিধৱাক চুব নাপায় বুলি সেইখন সমাজৰ লোকসকলৰ মানসিকতা আছিল। আচলতে এনে কিছুমান নিয়মে নাৰী এগৰাকীক নাৰীৰ কাষৰ পৰাই আঁতৰত ৰখাৰ যেন ব্যৱস্থা কৰিছে সমাজখনে। পুনৰ গিৰিবালাই যেতিয়া পাকঘৰত সোমাব খুজিছিল, তেতিয়াও দুৰ্গাই নিয়মৰ কথা সকিয়াই দি একপ্ৰকাৰ সতৰ্ক কৰি দিছিল।

"......মছুৰা চৰু আছে সহাই যাবা নৰাহ।......."[২৮]

এনেকৈয়ে পিতৃগৃহত গিৰিবালা আৰু দুৰ্গাই নাৰী চৰিত্ৰৰ স্বকীয় ব্যক্তিত্ব আৰু পৰিচয় হেৰুৱাই পেলাইছে। এগৰাকী বিধৱা নাৰীয়ে সমাজত প্ৰচলিত অন্ধ বিশ্বাসৰ বলি হৈছিল। দুৰ্গাৰ গাত পাপ গ্ৰহ লম্ভা কাৰণেই পৰিয়ালৰ লোকে তাইৰ গিৰিয়েক মৰা বুলি ধাৰণা কৰিছিল। যাৰ বাবে শহুৰৰ ঘৰখনে দুৰ্গাক অমংগলীয়া বুলি ককৰ্থনা কৰি একপ্ৰকাৰ অতি কৌশলেৰে বুজিব নোৱাৰাকৈ পিতৃগৃহলৈ তাইক পঠিয়াই দিছিল। আকৌ বিধৱা নাৰী যেন অমংগলৰ প্ৰতীক, এই বিশ্বাসকে সমাজে প্ৰতিপন্ন কৰি দুৰ্গাক মানুহৰ ঘৰত অনুষ্ঠিত হোৱা কোনো মাংগলিক কামলৈ যোৱাটোও নিষেধ কৰিছিল। ফলত দুৰ্গাই কেৱল ঘৰতে অকলে এলাগীৰ দৰে জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছিল। দুৰ্গা এনেদৰে বিবৰ্জিতা হ'ল যে গাখীৰ খোৱা গিলাচটোও তাইৰ বুলি সুকীয়াকৈ চিনি পোৱা হ'ল। অনাদৰ অৱহেলাই দুৰ্গাৰ সামাজিক স্থিতি মূল্যহীন কৰি পেলাইছিল। খোৱা-লোৱাৰ ক্ষেত্ৰত ব্ৰাহ্মণ বিধৱাই বহু নিয়ম মানি চলিবলগীয়া হ'ল। সমাজৰ সেই কঠোৰ নিয়ম অনুসৰি বিধৱাই নিৰামিষ আহাৰহে খাব লাগে। সেই নিয়ম ভঙ্গ কৰি এদিন গিৰিবালাই আতাকৰ শ্ৰাদ্ধৰ ৰন্ধা মাংস খাই পৰাচিত

---

*২৭. মামণি ৰয়চম গোস্বামী, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা ,পৃ. ২১*

*২৮. মামণি ৰয়চম গোস্বামী, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা ,পৃ. ২১*

হ’বলগা হৈছিল। হেৰামদৰ পুৰোহিতে চিঞৰি চিঞৰি ক’বলৈ ধৰিলে---------

"......নাদৰ পানী ঢালি মাইচানাটোক আধা ভিজা কৰ। কোনেও নুচুবি চব কাম আলগে আলগে কৰ। দোনাত কৰি আৰৈ চাউল তামৰ পইচা, কড়ি আৰু ফুল-তুলসী আন। গংগাজল আছে যদি তাকো আন।......."[২৯]

এক মুহূৰ্ত্তৰ ভিতৰতে গিৰিবালাক টানি আনি নাদৰ ঢেঁকীৰ ওচৰত থিয় কৰালে। তামিৰ পৰা দুবৰিৰে পানী লৈ চাউল ছটিয়াই পুৰোহিতে তেওঁৰ বিচিত্ৰ সংস্কৃত উচ্চাৰণেৰে গাবলৈ ধৰিলে--

".....বিধৱা ব্ৰহ্মচাৰী চ কামেনৈব যদাসকৃৎ।
মৎস্য মাংসং সমশ্লীয়াৎ ঐন্দ্ব বস্তু সমাচৰেৎ।।
মৎস্য মাংসং মসুৰঞ্চ তাম্বুলং ভূত্বণন্তথা।
এতান্ জন্ধাতু বিধবা কুৰ্য্যাচ্চান্দ্ৰায়ণ ব্ৰতং ।।'

(বিধৱা, ব্ৰহ্মচাৰীয়ে ইচ্ছা কৰি মাছ-মাংস এবাৰ কালে আঠ ধেনু, মচুৰ, মাটিভাহ, তাম্বুল, ভূমি কোমোৰা খালে চাৰি ধেনু প্ৰায়শ্চিত্ত ........"[৩০]

এখন সমাজত বিধৱা নাৰীয়ে শাস্ত্ৰ নিৰ্দেশিত নিয়ম ভঙ্গ কৰিলে প্ৰায়শ্চিত্ত কৰিব লাগে। এই প্ৰায়শ্চিত্ত এক প্ৰকাৰ মানসিক শাস্তি আছিল। অকল সেয়ে নহয়, প্ৰায়শ্চিত্ত ভোগা বিধৱা নাৰীয়ে স্পৰ্শ কৰা ৰন্ধা-বস্তুবোৰো কোনোৱে খাব নেপায়। সেইবোৰ চুৱা গৈছে বুলি পেলাই দিয়া হৈছিল। কাম খাবলৈ অহা জ্ঞাতি কুৰমাৰে চৌহদ ভৰি পৰিছিল। কোনোবা এটাই লাঠি মাৰি মাটি-মাহৰ দালি আৰু পাঠাৰ মাংসৰ থালী গিৰিবালাইও লুকাই চুৰকৈ খৃষ্টান যুবকমাৰ্ক চাহাবৰ লগত মিলিত হ’বলৈ গৈ প্ৰায়শ্চিত্ত কৰিবলগীয়া হৈছিল। কাৰণ গোঁসাই পৰিয়ালৰ বিধৱাই পৰপুৰুষৰ লগত ঘূৰি ফুৰাটোৱেই নিষেধ আছিল। প্ৰেম কৰা দূৰৈৰ কথা, স্পৰ্শ কৰাটোও সমাজৰ বাবে পাপ। সমাজৰ সেই সংস্কাৰৰ বাবেই মাৰ্ক চাহাবে গিৰিবালাক ধৰ্মৰ কথা কৈ মনৰ অদম্য স্পৃহাক দমাই ৰাখিবলৈ বুজনি দিছিল। জাত-পাতৰ সামাজিক ব্যৱধানেই গিৰিবালা আৰু মাৰ্ক চাহাবৰ প্ৰেমৰ মাজত হেঙাৰ হৈ থিয় দিছিল। ছাঁটো স্পৰ্শ কৰিলেই যিখন সমাজত গা ধুই শুদ্ধ হ’ব লাগে সেইখন সমাজত দ্বিতীয় বিবাহ হোৱাটো এক অসম্ভৱ কথাই আছিল। সেয়েহে মাৰ্ক চাহাবৰ ঘৰলৈ নিশা দুপৰত যোৱা গিৰিবালাই সমাজৰ বিধান অনুসৰি প্ৰায়শ্চিত্ব মূৰ পাতি লৈছে। কাৰণ তেনে নকৰিলে গিৰিবালা পুনৰ পৰিয়ালৰ মাজলৈ উভতি যাব নোৱাৰে। বিয়াবাৰুৰ ক্ষেত্ৰত জাত-পাতৰ বিচাৰ তেতিয়াও আছিল আৰু আজিও কিছু পৰিমাণে আছে। গিৰিবালাক উপদেশ দিছিল যে স্বামীৰ চৰণত সদাই ফুল-তুলসী দি পুজা কৰিব লাগে আৰু স্বামীৰ গৃহত মৰিলে স্বৰ্গ পাই। ইয়াত লেখিকাই উল্লেখ কৰিছে-----

---

২৯. মামণি ৰয়চম গোস্বামী, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, পৃ.

*৩০. মামণি ৰয়চম গোস্বামী, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, পৃ.*

“......তৰ ভাগ্য দুৰ্গাৰ ভাগ্যৰ হেতি সাঙোৰ খাই আছে। তাই উচিত পথত ভৰি দিছি। এই পথেদি তহনায়ো চলিবা লাগিব। তহ নাই তাইৰ দৰে খৰমত ফুল পানী দিবি। তিৰীৰ বাবে স্বামী পৰম দেৱতা। সেই দেৱতাক অহৰহ পূজা কৰিবি.......।”[৩১]

'দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা' উপন্যাসখনৰ আন এক উল্লেখযোগ্য নাৰী চৰিত্ৰ হ'ল দুৰ্গা। আমৰাঙ্গা সত্ৰৰ সত্ৰাধিকাৰৰ জীয়ৰী দুৰ্গাৰ বিয়া হৈছিল চিকাৰহাটীৰ গোঁসাই পৰিয়াল এটাত। সেই সমাজখনত পুষ্পিতা হোৱাৰ আগতেই বিয়া হোৱাৰ নিয়মৰ কাৰণেই দুৰ্গাৰো বিয়া হয়। সৰুৰ পৰাই সত্ৰীয়া নিয়মনীতিৰ সৈতে পৰিচিতা দুৰ্গাই সমাজৰ সকলো নিয়ম মানি চলিছিল। ষোল্ল বছৰ সংসাৰ কৰাৰ পিছত অকস্মাত স্বামী বিয়োগ হোৱাত দুৰ্গা বিধৱা হয়। স্বামী বিয়োগৰ কাৰণে শহুয়েকৰ পৰিয়ালৰ লোকে দুৰ্গাক দুষিবলৈ ধৰিলে। লাহে লাহে সন্তানহীনা দুৰ্গাই সংস্কাৰাচ্ছন্ন সমাজৰ সেই স্বামীৰ পৰিয়ালৰ পৰা অনাদৰ অৱহেলাৰ মাজেৰে দিন কটাবলগীয়া হয়। আনকি যি কোনো মাংগলিক অনুস্থানত দুৰ্গাৰ উপস্থিতিও বাধা দিয়া হ'ল। ফলত দুৰ্গাই যেন নিঃসঙ্গতাকে সাৰথি কৰি দিনবোৰ অতিবাহিত কৰিবলৈ ধৰিলে। পৰম্পৰাগত সমাজ ব্যৱস্থাৰ প্ৰতি সততে সজাগ হোৱা দুৰ্গাই পিতৃগৃহত থাকিলেও এশ এটা ধূতিনীতি ব্ৰত উপসনা নিষ্ঠাৰে পালন কৰিছিল। যাৰ ফলত পিতৃ গৃহত থকা সময়ছোৱাত দুৰ্গাই পাহৰি গৈছে যে তাই কেনে এক বেদনাদায়ক জীৱন অতিবাহিত কৰি আছে। তাইৰেই বিধৱা ভতিজাক গিৰিবালাকো নিয়ম-নীতি পালনৰ কথা কৈ দুৰ্গাই নিজৰ গোড়া স্বভাৱৰ পৰিচয় দিছে। দুৰ্গাই বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে জীৱন অতিবাহিত কৰিলেও কোনো ক্ষেত্ৰতে সত্ৰীয়া সমাজৰ বিবাহিতা নাৰীৰ আদৰ্শক অৱহেলা কৰা নাছিল। পিতৃ গৃহত থকা সময়ছোৱাতো পৰম্পৰাগত পতিব্ৰতা নাৰীৰ মহান আদৰ্শক তাই নিষ্ঠাৰে পালন কৰিবলৈ ধৰে সেয়ে মৃত স্বামীৰ চৰণত প্ৰতিদিনেই ফুল-তুলসী দি পূজা কৰা কাম কৰিবলৈ পাহৰা নাই। স্বামীৰ কল্যান কামনা কৰা দুৰ্গাই স্বামীৰ অস্থি গঙ্গাত বিসৰ্জন দিবলৈ প্ৰৱল হেপাহ কৰিও যেতিয়া দিব পৰা নাই তেতিয়া তাই হতাশাত ভুগিছিল।

'দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা' উপন্যাসত পৰম্পৰাবাদী নাৰী হিচাপে দুৰ্গা নামৰ নাৰী চৰিত্ৰটো উল্লেখ কৰা হৈছে। প্ৰৱল আশাবাদী হৈও নিৰাশাত ভোগা এগৰাকী বিধৱা নাৰী দুৰ্গা দুখী বঞ্চিতা নাৰী হিচাপে প্ৰকাশিত হৈ উঠিছে। অসহায় অৱলা-দুৰ্বলা পৰম্পৰাবাদী নাৰীয়ে কেনেকৈ নিস্পৃহতাৰ কবলত পৰি জীৱন নিঃশেষ কৰি দিছে সেই ছবি দুৰ্গা নামৰ চৰিত্ৰটিৰ জৰিয়তে উপন্যাসখনত উপস্হাৰন কৰি তুলিছে।

উপন্যাসখনৰ কিছু ব্যতিক্ৰমী নাৰী চৰিত্ৰটি হৈছে সৰু গোঁসানী। সৰু গোঁসানীও এখন সত্ৰীয়া পৰিয়ালৰেই বোৱাৰী। সুন্দৰকৈ সংসাৰ চলাই যোৱা সৰু গোঁসানীয়েও এদিন হঠাতে বৈধৱাক সাৱতিব লগা হয়। স্বামীৰ মৃত্যুৰ পাছত নিঃসন্তান সৰু গোঁসানীয়ে প্ৰচলতি নিয়মক সৰ্বান্তকৰণেৰে মানি পৰনিৰ্ভৰশীল নোহোৱাকৈ দৈনন্দিন কাম কাজ চলাই যাবলৈ

---

*৩১. মামণি ৰয়চম গোস্বামী, দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা ,পৃ. ১৫১*

ধৰে। কিন্তু যিহেতু তেওঁ এগৰাকী বিধৱা নাৰী সেয়ে কোনো কোনো ক্ষেত্ৰত বিশেষকৈ স্বামীয়ে তদাৰক কৰা দূৰণিৰ মাটি বাৰী চোৱা কাৰ্য কঠিন বুলি মহীধৰ নামৰ এজন আদহীয়া পুৰুষক নিজৰ লগত ৰাখিছিল। সৰু গোঁসানীয়ে এজন পুৰুষক লগত ৰখা, নিজে মাটিবাৰী তদাৰক কৰা কাৰ্যৰ মাজেদি সাহস আৰু ধৈৰ্যৰ পৰিচয় দিব পাৰিছে। স্বামীৰ মান-সন্মানৰ প্ৰতিও সৰু গোঁসানী সজাগ আছিল। যি সকলক গিৰিয়েকে শিষ্যত্ব দি সহানুভূতিৰে চাইছিল সেইসকলক তেওঁ কেতিয়াও অৱহেলা কৰা নাই। তাৰউপৰি নিজৰ সন্মানৰ ক্ষেত্ৰখন বহল কৰিবলৈ নতুন নতুন শিষ্যক তেওঁ দীক্ষাও দিছে, গতিকে সত্ৰীয়া সমাজৰ সত্ৰাধিকাৰৰ গুৰুত্বও তেওঁৰ কাৰ্যৰ মাজেদি প্ৰতিপন্ন হৈছে। অসমত নাৰী সত্ৰাধিকাৰৰ বিৰল উদাহৰণ নথকা নহয় কিন্তু পৰম্পৰাগত সমাজ ব্যৱস্থাত নিজস্ব দৃষ্টিভংগীৰে অনুসৰণ কৰি যোৱাটোও সাহসৰেই কাম।

# উপসংহাৰ

ওপৰৰ অধ্যায়কেইটাত ড° মামণি ৰয়ছম গোস্বামীৰ নিৰ্বাচিত উপন্যাসৰ পৰিচয়, কাহিনী, পটভূমি, নাৰীৰ বিভিন্ন ৰূপ, নাৰীৰ সমস্যা, ইত্যাদিৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। তেওঁৰ আটাইকেইখন উপন্যাসৰ বিষয়বস্তু, পটভূমি আৰু স্থান নিৰ্বাচনত এক নতুনত্ব দেখা গৈছে। মামণি ৰয়ছম গোস্বামীৰ সকলোবোৰ উপন্যাস বাস্তৱ জীৱনৰ ভিত্তিত প্ৰতিষ্ঠিত। অসমৰ গ্ৰাম্য জীৱনৰ লগত যেনেকৈ তেওঁ পৰিচিত, তেনেকৈয়ে ভাৰতৰ বিভিন্ন পৰিৱেশ-পৰিস্থিতিৰ লগতো তেওঁ পৰিচিত। তেওঁৰ উপন্যাসসমূহত সমাজৰ বিভিন্ন স্তৰৰ নাৰীৰ দুখ-কষ্ট, শোষণ আৰু সংঘাতক উপস্থাপন কৰা হৈছে। উপন্যাসৰ নাৰী চৰিত্ৰসমূহে সমাজৰ বৈষম্য, অন্ধবিশ্বাস আৰু পৰম্পৰাৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে। তেওঁৰ লিখনিত নাৰীৰ মনস্তত্ত্ব, সামাজিক সমস্যা আৰু মানৱ জীৱনৰ জটিলতা ফুটি উঠিছে। তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহে পাঠকক এক নতুন অভিজ্ঞতা দিয়ে আৰু সমাজৰ বিভিন্ন দিশবোৰ উন্মোচন কৰে। তেওঁৰ সাহিত্যত নাৰীবাদী দৃষ্টিভংগী আৰু মানৱতাবাদী আদৰ্শৰ প্ৰভাৱ স্পষ্টৰূপত প্ৰকাশ পাইছে। উপন্যাসসমূহত সমাজত চলি থকা অন্ধবিশ্বাস, কু-সংস্কাৰ, জাতিভেদ প্ৰথা, বাল্য বিবাহ আদি বিভিন্ন নাৰীৰ সামাজিক সমস্যাৰ ওপৰত আলোকপাত কৰিছে। তেওঁৰ সাহিত্যত মানৱতাবাদৰ এক সুন্দৰ চিত্ৰ দাঙি ধৰা হৈছে। তেওঁ দুখীয়া, নিষ্পেষিত আৰু অৱহেলিত লোকসকলৰ প্ৰতি সহানুভূতিশীল আছিল। তেওঁৰ উপন্যাসসমূহে অসমীয়া সাহিত্যক এক নতুন মাত্ৰা দিছে আৰু অসমৰ সংস্কৃতি, সমাজ আৰু জীৱনধাৰাক বিশ্বৰ সন্মুখত দাঙি ধৰিছে।

# সিদ্ধান্ত

ড° মামণি ৰয়ছম গোস্বামী এগৰাকী অসমীয়া সাহিত্যিক আছিল। তেওঁৰ নিৰ্বাচিত উপন্যাসসমূহ ক্ৰমে- "আধা লেখা দস্তাবেজ", "নীলকণ্ঠী ব্ৰজ", "দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা"। পৰম্পৰাবাদী নাৰীৰ তুলনাত আধুনিক চিন্তাশীল নাৰীৰ ছবি তেওঁৰ উপন্যাসত তুলনামূলকভাৱে উল্লেখ কৰিছে। সেইফালৰ পৰা তেওঁক এগৰাকী আধুনিকতাবাদী লেখিকা বুলিও ক'ব পৰা যায়। মুঠতে নাৰীক সুকীয়া মৰ্যদাৰে প্ৰতিষ্ঠা কৰিবলৈ হাতত কলম তুলি সাহিত্যৰ মাজেৰে যি দৃঢ় আৰু সাহসী পদক্ষেপ ল'লে, সেয়ে তেওঁক অসমীয়া সাহিত্য জগতত এগৰাকী সাহসী লেখিকা ৰূপে প্ৰতিষ্ঠিত কৰা হয়। তেওঁৰ উপন্যাসসমূহত সমাজৰ বিভিন্ন সমস্যা, বিশেষকৈ নাৰীৰ ওপৰত হোৱা অত্যাচাৰ আৰু বৈষম্য স্পষ্টভাৱে ফুটি উঠিছে। তেওঁৰ সাহিত্যত জীৱনৰ দ্বন্দ্ব, সামাজিক চেতনাৰ দ্বন্দ্ব, অৱদমন আৰু কাৰুণ্যৰ চিত্ৰ উল্লেখ পোৱা গৈছে। তেওঁৰ উপন্যাসসমূহৰ আধাৰত বিভিন্ন গৱেষণামূলক আলোচনা হৈছে। এইদৰে মামণি ৰয়ছম গোস্বামীৰ নিৰ্বাচিত উপন্যাসৰ নাৰী চৰিত্ৰসমূহ বিচাৰ কৰি তলত দিয়া সিদ্ধান্তলৈ আহিব পাৰি-

ক) অসমীয়া সাহিত্য জগতত মামণি ৰয়ছম গোস্বামী নিঃসন্দেহে এক ব্যক্তিক্ৰমী ঔপন্যাসিকা।

খ) তেওঁৰ উপন্যাসসমূহত বহু নাৰী চৰিত্ৰৰ মাধ্যমেৰে সমাজত চলি থকা কুসংস্কাৰৰ বিৰুদ্ধে তেওঁ যুঁজ কৰিছে।

গ) তেওঁ নাৰীৰ মনস্তত্ত্ব, জীৱন সংগ্ৰাম আৰু সামাজিক প্ৰেক্ষাপটত তেওঁলোকৰ স্থানক গভীৰভাৱে উপলব্ধি কৰিছে।

ঘ) তেওঁৰ উপন্যাসৰ নাৰী চৰিত্ৰবোৰে সমাজৰ কঠোৰ নিয়ম-কানুনৰ বিৰুদ্ধে থিয় দি নিজৰ স্থান সাব্যস্ত কৰিবলৈ চেষ্টা কৰিছে।

ঙ) সমাজত চলি থকা বিভিন্ন ধৰণৰ বৈষম্য, যেনে জাতিগত, সামাজিক আৰু অৰ্থনৈতিক বৈষম্যৰ বিষয়ে উপন্যাসত তুলি ধৰিছে। তেওঁ দলিত আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ জীৱনৰ প্ৰতিচ্ছবি দাঙি ধৰিছে।

চ) তেওঁৰ সাহিত্যত মানৱতাবাদী দৃষ্টিভংগী প্ৰকাশ পাইছে। তেওঁ মানুহৰ মাজত থকা সমবেদনা, সহানুভূতি আৰু একতাৰ ওপৰত গুৰুত্ব দিছে। তেওঁৰ উপন্যাসসমূহে মানুহক ভাল কাম কৰিবলৈ আৰু সমাজক উন্নত কৰিবলৈ অনুপ্ৰাণিত কৰে।

ছ) তেওঁৰ ভাষা স্পষ্ট, সাৱলীল আৰু শক্তিশালী। তেওঁৰ শৈলীয়ে পাঠকক কাহিনীৰ গভীৰতালৈকে লৈ যায়।

**গ্ৰন্থপঞ্জীঃ**

**মূলগ্ৰন্থ-**


গোস্বামী, মামণি ৰয়ছম : আধা লেখা দস্তাবেজ
ষ্টুডেণ্টচ্ ষ্টৰচ্, গুৱাহাটী, ১৯৮৮

_______________ : নীলকণ্ঠী ব্ৰজ
লয়াৰ্চ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৭২

________________ : দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা
ষ্টুডেণ্টচ্ ষ্টৰচ্, গুৱাহাটী, ১৯৮৮


**সহায়ক গ্ৰন্থ**


কটকী, প্ৰফুল্ল : স্বৰাজোত্তৰ অসমীয়া উপন্যাসৰ সমীক্ষা,
বীণা লাইব্ৰেৰী, প্ৰথম সংস্কৰণ, ১৯৭৯

গগৈ,হৃদয়ানন্দ : আধুনিকতাৰ সন্ধানত মামণি ৰয়চম,
জ্যোতি প্ৰকাশক, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০১

ঠাকুৰ, নগেন : এশ বছৰীয়া অসমীয়া উপন্যাস, জ্যোতি প্ৰকাশন,
গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০১

ৰাজখোৱা, অৰবিন্দ : উত্তৰ স্বাধীনতা কালৰ অসমীয়া উপন্যাস সাহিত্যলৈ
মহিলা উপন্যাসিকৰ অৱদান, ২০১২

শৰ্মা, গোবিন্দ প্ৰসাদ : উপন্যাস আৰু অসমীয়া উপন্যাস, ষ্টুডেণ্টচ ষ্টৰচ,
গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৮৪

কটকী, প্ৰফুল্ল : স্বৰাজোত্তৰ অসমীয়া উপন্যাসৰ সমীক্ষা,
প্ৰথম প্ৰকাশ, ১৯৭৯

গুহ, অনিমা : তৃতীয় বিশ্ববাসিনীৰ দৃষ্টিত নাৰী সমাজ, পুবেৰুণ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০০

দত্ত, বিনিতা : অসমীয়া সাহিত্যত নাৰী, সদৌ অসম লেখিকা সমাৰোহ সমিতি, তেজপুৰ, প্ৰথম প্ৰকাশ, ১৯৯৫

**গৱেষণা গ্ৰন্থ:**

শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া : মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ নাৰী চৰিত্ৰ, ২০০৫

বৰুৱা, তুতুমণি : মামণি ৰয়ছম গোস্বামীৰ সাহিত্যকৃতি এক অধ্যয়ন, ১৯৯৫-৯৬

ৰাজখোৱা, অৰবিন্দ : উত্তৰ স্বাধীনতা কালৰ অসমীয়া উপন্যাস সাহিত্যলৈ মহিলা ঔপন্যাসিকৰ অৱদান, ২০১২

১৬-৬-২০২৫ : https://shodhganga.inflibnet.ac.in/handle/10603/81377
১৬-৬-২০২৫ : https://srotaswini.in/images/downloads/vol_3/145.o
২৩-৬-২০২৫ : https://srotaswini.in/images/downloads/vol_3/117.o